



# 6 গোলকীকৰণ আৰু সামাজিক পৰিৱৰ্তন

## Globalisation and Social Change

একবিংশ শতিকাত গোলকীকৰণ প্ৰসঙ্গৰ অবিহনে সামাজিক পৰিবৰ্তনৰ কোনো আলোচনা হ'ব নোৱাৰে ।অৱশ্যে আগৰ অধ্যায়বোৰত সামাজিক পৰিবৰ্তন আৰু প্ৰগতিৰ সন্দৰ্ভত গোলকীকৰণ আৰু উদাৰীকৰণৰ প্ৰসঙ্গতো আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়ত গ্ৰাম্য সমাজৰ বিষয়ে আলোচনা কৰোতে গোলকীকৰণ আৰু উদাৰীকৰণৰ আলোচনাখিনি



# Diabetic population highest in India: Atlas

## China follows right behind with 39.8 million diabetics

Ramya Kannan

**CHENNAI:** If anything, the International Diabetes Federation's (IDF) Diabetes Atlas released early December in South Africa, only confirms what we already know: India has the largest number of people living with diabetes.

It is in the pre-diabetic phase, Impaired Glucose Tolerance, that China overtakes India, both in the prevalence and projections.

The Atlas, third in a series that h[illegible] begins wi[illegible] the preamble: "With [illegible] f[illegible]ces of globalisation and i[illegible] d[illegible]trialisation proceeding [illegible] an in[illegible] rate [illegible] prevalence of diabetes is predicted to increase dramatically over the next few decades. The resulting burden of complications and premature mortality will continue to present itself as a major and growing public health problem for most countries."

The IDF has worked on the Atlas, hoping to create an impact on the public health policy of various governments across the world, advising

- India will top list even in 2025: projections
- China ahead of India in pre-diabetic stage

them to factor diabetes into their plans, according to A. Ramachandran, Director, Diabetes Research Centre and M.V. Hospital for Diabetes, Chennai.

Dr. Ramachandran, who also served on the Atlas Committee where his research has been extensively quoted, says, "we need to push the cause of fighting diabetes with governments. We believe that politicians are convinced by numbers and the Atlas serves to provide the figures to convince them."

According to the publication, In[illegible] people v[illegible] and Chi[illegible] hind at [illegible]

As fo[illegible] 2025, I[illegible] list, wit[illegible] ics but China

some distance between itself and India. China will have 59.3 million diabetics in 2025, the Atlas says.

However, the Atlas throws up figures that put China ahead of India in the pre-diabetic stage defined as Impaired Glucose Tolerance (IGT), again associated with insulin resistance.

In fact, China is currently way ahead of the rest of the world, with 64.3 million people with IGT, and will continue to be in 2025, according to the Atlas, with 79.1 million IGTs. India follows with a current prevalence of 35.9 million persons and a projected total of 56.2 million people in 2025.

Other key inputs in the Atlas are the extensive chapters on diabetes-related compli-

**ক্ৰিয়াকলাপ ৬.১**


যিকোনো এখন বাতৰি কাকত দুসপ্তাহৰ বাবে নিয়মীয়াকৈ পঢ়া আৰু 'গোলকীকৰণ' শব্দটো কেনেদৰে ব্যৱহাৰ কৰিছে, সেই সম্পৰ্কীয় টোকাখিনি সংগ্ৰহ কৰা । তুমি সংগ্ৰহ কৰা টোকাখিনি তোমাৰ শ্ৰেণীৰ আন বন্ধু-বান্ধৱৰ টোকাৰ লগত তুলনা কৰা।

টেলিভিচনৰ বিভিন্ন কাৰ্য্যসূচীত ব্যৱহাৰ কৰা গোলকীকৰণ (Globalisation) আৰু গোলকীয় (Global) শব্দবোৰ কেনেকুৱা প্ৰসঙ্গত ব্যৱহাৰ কৰিছে সেইবোৰৰ টোকা যুগুত কৰা। ৰাজনৈতিক, অৰ্থনৈতিক বা সাংস্কৃতিক বিষয়ক আলোচনা অথবা বাতৰি পৰিৱেশন কৰোতে এই শব্দবোৰৰ প্ৰয়োগৰ বিষয়ে মন দিয়া।



**The Big Global Movement Against WTO**

xth Ministerial Conference (MC6) of World Trade Organisation (WTO) go the Seattle and ay? The clarion call to 'Derail the Hong Kong Ministerial' scheduled from 13-18 December been reverberating from all corners of the world.



**Ghaziabad–global city**

মনত পেলোৱা। ভাৰত চৰকাৰৰ উদাৰীকৰণ নীতি আৰু উদ্যোগ জগতত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোচিত পঞ্চম অধ্যায়টো আকৌ পঢ়া। এই কথাখিনি আমি তৃতীয় অধ্যায়ত গোলকীয় মহানগৰৰ নতুন কল্পনাৰ সন্দৰ্ভত 'কল্পনা মুম্বাই' (Vision Mumbai) ত পুনৰ আলোচনা কৰিছিলো । তোমালোকৰ পাঠ্যপুথিৰ বাহিৰেও বাতৰি কাকত, টেলিভিচন বা দৈনন্দিন কথাবতৰাত তোমালোকে গোলকীকৰণ (Globalisation) নামৰ এই বিশেষ অৰ্থবহন কৰা শব্দটোৰ বিষয়ে নিশ্চয় শুনিছা।

**ক্ৰিয়াকলাপ ৬.১** ৰ সহায়ত তোমালোকে লক্ষ্য কৰিব পাৰিবা যে গোলকীকৰণ শব্দটো কেনেকৈ বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰিছে। কিন্তু এই শব্দটোৱে প্ৰকৃততে কোনবোৰ অৰ্থ প্ৰকাশ কৰে তাক আমি পৰিষ্কাৰকৈ বুজিবলৈ এতিয়াও বাকী আছে। এই অধ্যায়ত আমি গোলকীকৰণৰ অৰ্থ, পৰিধি আৰু ইয়াৰ সামাজিক ফলাফলৰ বিষয়ে বুজিবলৈ প্ৰয়াস কৰিম।

ইয়াৰ কিন্তু অৰ্থ এইটো নহয় যে গোলকীকৰণ বুজাবলৈ কেৱল এটাহে সংজ্ঞা আছে বা ইয়াক বুজাবলৈ এটা উপায়েই আছে। তোমালোকে নিশ্চয় পাইছা যে বিভিন্ন শৈক্ষিক বিভাগবোৰত গোলকীকৰণৰ দিশবোৰ বহুত ধৰণে প্ৰকাশ কৰা হৈছে । অৰ্থনৈতিক বিজ্ঞানে অৰ্থনীতিৰ দিশবোৰ যেনে মূলধন প্ৰসাৰৰ (Capital flow) ওপৰত অধিক গুৰুত্ব দিয়ে।

যি কি নহওক; গোলকীকৰণ প্ৰক্ৰিয়া এটা সুদূৰ প্ৰসাৰী প্ৰক্ৰিয়া আৰু বিদ্যায়তনিক বিষয়বোৰে সেইবাবে ইয়াৰ কাৰণ আৰু ফলাফল নিৰ্ধাৰণ কৰিবৰ বাবে এটা বিষয়ে আনটোৰ ওপৰত অহৰহ নিৰ্ভৰ কৰিব লগা হয়। আমি এতিয়া চাওঁ সমাজতত্ত্বত গোলকীকৰণৰ ব্যাখ্যা কেনেদৰে আগবঢ়োৱা হৈছে ।

সমাজতত্ত্বৰ পৰিসৰ আৰু ইয়াৰ নিৰ্দিষ্ট বৈশিষ্ট্যবোৰ তথা সমাজতাত্ত্বিক দৃষ্টিভঙ্গী (Perspective) ৰ বিষয়ে আগৰ আলোচনাবোৰ তোমালোকৰ নিশ্চয় মনত আছে। গোলকীকৰণক সমাজতাত্ত্বিক দৃষ্টিভঙ্গীৰে অধ্যয়ন কৰাৰ গুৰুত্ব কি এই সম্পৰ্কে আমি আগৰ আলোচনালৈ খন্তেক উভতি চাওঁ ।

সমাজতাত্ত্বিক অধ্যয়নৰ পৰিসৰ অতি ব্যাপক। সমাজতত্ত্বৰ প্ৰধান ক্ষমতা হৈছে ই দুজন ব্যক্তিৰ আন্তঃক্ৰিয়াৰ সূক্ষ্ম বিশ্লেষণ দাঙি ধৰিব পাৰে যেনে গ্ৰাহক আৰু বিক্ৰেতাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ, দুজন বন্ধু বা পৰিয়ালৰ সদস্য সকলৰ মাজৰ আন্তঃ ক্ৰিয়া বা সম্বন্ধ। একে সময়তে সমাজতত্ত্বই ৰাষ্ট্ৰীয় বিষয় বস্তু যেনে নিবনুৱা সমস্যা, জাতি সংঘৰ্ষ, ৰাষ্ট্ৰৰ ৰাজনীতিৰ অৱস্থা আৰু প্ৰভাৱ, অৰণ্যৰ ওপৰত জনজাতি সকলৰ অধিকাৰ, তথা গ্ৰাম্য ঋণগ্ৰস্ততাৰ বিষয়েও দৃষ্টি নিক্ষেপ কৰিব পাৰে । অথবা আন্তৰাষ্টীয় সামাজিক প্ৰক্ৰিয়াবোৰ যেনে শিথিল শ্ৰম আইনৰ শ্ৰমিক শ্ৰেণীৰ ওপৰত প্ৰভাৱ, যুৱক-যুৱতীৰ ওপৰত প্ৰচাৰ মাধ্যমৰ প্ৰভাৱ, বিদেশৰ

বিশ্ববিদ্যালয়. আগমনৰ দ্বাৰা শিক্ষা ব্যৱস্থাত পৰা প্ৰভাৱ আদি বিষয়েও সমাজতত্ত্বই পৰীক্ষা নিৰীক্ষা কৰিব পাৰে। গতিকে সমাজতত্ত্বই কি অধ্যয়ন কৰে (যেনে পৰিয়াল, ট্ৰেড ইউনিয়ন বা গাঁও) সেইটোৱে কেৱল ইয়াৰ সংজ্ঞা নিৰ্ধাৰণ নকৰে বৰঞ্চ নিৰ্বাচিত বিষয়ক যেনেকৈ অধ্যয়ন কৰে সেইটোহে আচল কথা। *(NCERT Book I, class XI, 2005)*

ওপৰৰ দফাটো ভালদৰে পঢ়া। তোমালোকে অনুভৱ কৰিব পাৰিবা যে সমাজতত্ত্বই কি অধ্যয়ন কৰে সেইটো আচল কথা নহয় বৰঞ্চ কেনেকৈ কৰে তাতেই ইয়াৰ সংজ্ঞা নিহিত হৈ আছে। গোলকীকৰণে সামাজিক আৰু সাংস্কৃতিক দিশত কি পৰিবৰ্তন আনিব পাৰিছে সমাজতত্বই কেৱল সেয়াহে অধ্যয়ন কৰে বুলি কোৱাতো সমীচীন নহয়। ব্যক্তি আৰু সমাজ (individual and society),ক্ষুদ্ৰ আৰু বৃহৎ (micro and macro), স্থানীয় আৰু আন্তৰ্জাতিক (local and global), এই দুয়ো দিশৰ মাজৰ সম্বন্ধৰাজিক সমাজতাত্ত্বিক কল্পনাৰে (sociological imagination) সমাজতত্ত্বই অধ্যয়ন কৰে । অতি আওহতীয়া গাঁওবোৰ কেনেকৈ প্ৰভাৱান্বিত হয়? সমগ্ৰ বিশ্বত সংঘটিত হোৱা পৰিবৰ্ত্তনৰ লগত ই কেনেকৈ সামঞ্জস্য ৰক্ষা কৰে? মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ সংস্থাপনৰ বাবে ই কেনেকৈ সংযোগ স্থাপন কৰে? ভাৰতৰ বৃহৎ বৃহৎ সংগঠনবোৰ কেনেকৈ আন্তঃৰ্জাতিক সংগঠনৰ ৰূপত অৱতীৰ্ণ হবলৈ সুযোগ পালে? খুচুৰা বিক্ৰেতা খণ্ডবোৰ যেতিয়া আন্তঃৰ্জাতিক সংগঠনৰ সান্নিধ্যলৈ আহে, তেতিয়া স্থানীয় দোকান-বজাৰবোৰত কেনেধৰণে প্ৰভাৱ পৰে? আমাৰ নগৰ মহানগৰবোৰত আজিকালি ইমানবোৰ শ্বপিং মল (shopping mall) গঢ় লৈ উঠাৰ কাৰণ কি? যুৱক যুৱতীসকলে তেওঁলোকৰ আজৰি সময় অতিবাহিত কৰাৰ প্ৰক্ৰিয়াবোৰত এইবোৰে কেনেকৈ পৰিবৰ্তন আনিছে? গোলকীকৰণৰ দ্বাৰা সাধিত হোৱা বিশাল পৰিবৰ্তনৰ ভিতৰৰে এইবোৰ মাথো কেইটামান উদাহৰণহে।

সমগ্ৰ বিশ্বত দেখা দিয়া বিশাল পৰিবৰ্ত্তন আৰু প্ৰগতিয়ে মানুহৰ জীৱনলৈ যিধৰণে পৰিবৰ্তন আনিছে সেই বিষয়ে তোমালোকে এনেধৰণৰ বহুত উদাহৰণ ল'ব পাৰিবা। গতিকে সমাজতত্ত্বইও ইয়াৰ অধ্যয়নৰ দিশবোৰ তেনেদৰেই আগবঢ়াই নিয়ে।

নতুন নতুন বজাৰ মুকলি আৰু আমদানিকৃত সামগ্ৰীৰ ওপৰত থকা বাধা নিষেধবোৰ প্ৰত্যাহাৰ কৰাৰ ফলস্বৰূপে বিশ্ববজাৰৰ বহুত সামগ্ৰী আমি আমাৰ চুবুৰীয়া দোকান বজাৰত খন্তেকতে পাব পৰা হলো। ২০০১ চনৰ পহিলা এপ্ৰিলৰ পৰা আমদানিকৃত সকলো প্ৰকাৰৰ পৰিমাণগত বাধা-নিষেধ (quantitative restriction, QR) বোৰ প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া আমি আমাৰ স্থানীয় ফলমূলৰ দোকানত চীন দেশৰ মটৰমাহ তথা আমেৰিকাৰ আপেল আদি পোৱাতো আচৰিত হ'বলগীয়া একো নাই। একেদৰেই , কাষতে থকা দোকানখনত অষ্ট্ৰেলিয়াৰ কমলা ৰস আৰু খন্তেকতে

ভাজি খাব পৰাকৈ বৰফত থকা আলু চিপ্‌চৰ পেকেট পোৱা যায়। আমি দৈনন্দিন জীৱনত নিজৰ ঘৰত নতুৱা বন্ধু-বান্ধবীৰ লগত যিবোৰ বস্তু খাওঁ সেইবোৰ লাহে লাহে পৰিৱৰ্তন হব ধৰিছে। তেনেদৰে গ্ৰাহক আৰু উৎপাদনকাৰীসকলৰ নীতিবোৰতো আওপকীয়াকৈ প্ৰভাৱ পৰিছে। পৰিৱৰ্তনৰ এনে প্ৰেক্ষাপটত চহৰৰ আঢ্যৱন্ত লোকসকলৰ বাবে উচ্চস্তৰৰ ৰুচিবোধ আৰু একে সময়তে চহাখেতিয়কসকলৰ বাবে জীৱনধাৰণৰ এক সংকটময় অৱস্থাই দেখা দিয়ে। এই পৰিৱৰ্তনবোৰে ব্যক্তিগত পৰ্যায়তহে ল'ব পাৰি। কাৰণ এইবোৰে মানুহৰ ব্যক্তিগত জীৱন আৰু জীৱনধাৰণত প্ৰভাৱ বিস্তাৰ কৰে। অৱশ্যে চৰকাৰীভাৱে গ্ৰহণ কৰা নীতিবোৰ তথা বিশ্ব বাণিজ্য সংস্থা (World Trade Organisation WTO)ৰ লগত কৰা চুক্তিবোৰৰ ভূমিকা নোহোৱা নহয়। একেদৰেই বৃহৎ পৰ্যায়ৰ নীতিবোৰৰ (macro policy) সঘন পৰিৱৰ্তনৰ ফলত আজি আমি দূৰদৰ্শনত কেৱল এটা মাত্ৰ চেনেলেই নহয়, অধিক সংখ্যক চেনেল উপভোগ কৰিবলৈ পাইছো। প্ৰচাৰ মাধ্যমৰ এই নাটকীয় পৰিৱৰ্তনবোৰে সম্ভৱতঃ গোলকীকৰণ প্ৰক্ৰিয়াক খৰতকীয়া কৰাত অধিক সহাঁৰি জনাইছে। ইয়াৰ পিচৰ অধ্যায়ত এই বিষয়ে আমি বহলকৈ আলোচনা কৰিছো। ইতিমধ্যে উল্লেখ কৰাবোৰ কেৱল মাত্ৰ তাৎক্ষণিক কেইটামান উদাহৰণহে। কিন্তু হ'লেও এইবোৰে তোমালোকৰ ব্যক্তিগত জীৱন আৰু গোলকীকৰণৰ মাজৰ সম্পৰ্কবোৰ অনুভৱ কৰাত কিছু প্ৰকাৰে সহায় কৰিব। ইতিমধ্যে আমি আলোচনা কৰি আহিছো যে সমাজতত্ত্বই ইয়াৰ নিজা দৃষ্টিভঙ্গীৰে ক্ষুদ্ৰ আৰু বৃহৎ (micro and macro) তথা ব্যক্তিগত আৰু ৰাজহুৱা (personal and public) বিষয়বোৰৰ মাজৰ সম্বন্ধৰাজিক উপযুক্তভাৱে বুজি উঠাত সহায় কৰিব পাৰে।

সমাজতত্ব হৈছে সমাজৰ বিষয়ে অধ্যায়ন কৰা এটি বিষয়। একাদশ শ্ৰেণীৰ প্ৰথম পাঠ্যপুথিত আলোচনা কৰা প্ৰসঙ্গটো তোমালোকে নিশ্চয় মনত পেলাবা যে 'সমাজ'ৰ সীমা নিৰ্ধাৰণ কৰাতো সহজসাধ্য নহয়। এখন গাঁও অধ্যয়ন মানেই ইয়াত থকা বিভিন্ন সামাজিক গোটবোৰ আৰু তেওঁলোকৰ সমাজবোৰকে নুবুজায়, বৰঞ্চ গাঁৰৰ সমাজবোৰ কেনেদৰে বাহিৰৰ জগতখনৰ লগতো জড়িত হৈ থাকে, সেয়াও অধ্যয়নৰ বিষয়বস্তু হৈ পৰে। গাঁওবোৰৰ এই যোগসূত্ৰবোৰ আগৰ কালতকৈ আজিৰ যুগত অধিক ৰূপত দেখা যায়। সমাজতত্ত্ববিদ অথবা সামাজিক নৃতত্ত্ববিদসকলে গাঁৱক এতিয়া বহিঃ জগতে ঢুকি নোপোৱা পৃথক সত্ত্বা বুলি অধ্যয়ন কৰিলে নহ'ব। স্থান আৰু সময়ৰ সংকোচনৰ হেঁচাত এইবোৰ পৰিৱৰ্তন হ'বলৈ ধৰিছে। গোলকীয় আন্তঃসম্পৰ্কীয় তাড়নাত সমাজতত্ত্ববিদসকলে এতিয়া অধ্যয়ন কৰিছে গাঁও, পৰিয়াল, সামাজিক আন্দোলন, শিশুৰ পৰিচৰ্যা আচৰণ, কৰ্ম আৰু আজৰি সময়ৰ স্বৰূপ, আমোলাতান্ত্ৰিক সংগঠন তথা জাতি ব্যৱস্থাৰ কাৰ্য্যকলাপ। কৃষি

আৰু খেতিয়কৰ খেতিকৰ্মৰ বিষয়ে অধ্যয়ন কৰোতে বিশ্ব বাণিজ্য সংস্থা (WTO) ৰ দৰে সংগঠনৰ ভূমিকাৰ কথা আগত ৰাখি বহু অধ্যয়ন আগবঢ়াই নিয়া হৈছে।

গোলকীকৰণৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। গোলকীকৰণে আমাক সকলোকে প্ৰভাৱান্বিত কৰিছে কিন্তু প্ৰভাৱবোৰ সুকীয়া সুকীয়া । গতিকে কিছুমানৰ বাবে ই নতুন সা- সুবিধাৰ বাট মুকলি কৰিছে আৰু কিছুমানে জীৱনধাৰণৰ ন্যুন্যতম প্ৰাপ্যখিনি হেৰুৱাইছে। বজাৰত কোৰিয়া আৰু চীনদেশৰ চিল্কৰ সূতাবোৰ অহাৰ লগে লগে চিল্কৰ সূতা কটা আৰু বোৱা কামত নিয়োজিত বিহাৰৰৰ মহিলাসকলে তেওঁলোকৰ বৃত্তি হেৰুৱাব লগা হৈছে। শিপিনীসকলে বা গ্ৰাহকসকলে এইবোৰ বেছিকৈ পছন্দ কৰে কাৰণ তুলনামূলকভাবে এইবোৰ কমদামী আৰু দেখাত ৰংচঙীয়া। ঠিক একেদৰেই উন্নত কৌশলৰ মাছমৰীয়া জাহাজ ভাৰতীয় জলৰাশিলৈ আমদানি কৰাৰ লগে লগে পৰম্পৰাগত মাছ ধৰা কৌশলবোৰ আঁতৰাই ৰখা হ'ল। মাছ ধৰা এই নতুন জাহাজবোৰে ভাৰতীয় জাহাজবোৰে সংগ্ৰহ কৰা মাছবোৰ লৈ যায়। ফলস্বৰূপে, মাছৰ লগত জড়িত থকা মহিলাসকল যেনে মাছ বিভাজন কৰা, শুকোৱা, বিক্ৰী কৰা অথবা মাছ ধৰা জাল তৈয়াৰ কৰা কামবোৰত প্ৰচুৰ আঘাত পৰিল। চুডানৰ পৰা কম দামৰ আঠা বজাৰত উভৈনদী হোৱাৰ লগে লগে গুজৰাটৰ যিসকল মহিলাই জুলিফেৰা গছৰ পৰা (Baval trees) আঠা সংগ্ৰহ কৰা কামত নিজকে নিয়োগ কৰিছিল, সেইসকলৰ সেই কাম নোহোৱা হৈ পৰিল। আমাৰ পেলনীয়া দ্ৰব্য সহজে গোটাই ৰখাৰ এবিধ কাগজ বা পলিথিনৰ বেগ বিশ্বৰ উন্নত দেশবোৰৰ পৰা আমাৰ বজাৰলৈ আমদানি কৰা হল। যাৰ পৰিণতিত আৱৰ্জনা বুটলি ফুৰা বহু লোক (rag pickers) কৰ্মহীন হৈ পৰিল। পৰম্পৰাগতভাৱে চলি অহা আমোদ- প্ৰমোদৰ ক্ষেত্ৰতো কেনেকৈ ব্যাঘাত জন্মিছে সেই বিষয়ে আমি এই অধ্যায়ৰ শেষলৈ আলোচনা কৰিছো।

এইটো নিঃসন্দেহে ক'ব পাৰি যে গোলকীকৰণ প্ৰক্ৰিয়াৰ বহুত সামাজিক বৈশিষ্ট্য আছে। একে সময়তে এইটোও সত্য যে গোলকীকৰণে সমাজৰ ভিন ভিন গোট বা শ্ৰেণীক ভিন ভিন ৰূপত প্ৰভাৱান্বিত কৰে। ভিন্ন প্ৰকাৰৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখিয়েই গোলকীকৰণ ভাৱধাৰাৰ ওপৰত অধিক মতানৈক্য থকা দেখা যায়। কিছুমানে ভাৱে যে এখন উজ্বলতৰ বিশ্বক আদৰণি জনোৱাতো সকলোৰে কাম্য হ'ব লাগে। আকৌ কিছুমানৰ মতে, গোলকীকৰণে সমাজৰ বিভিন্ন গোটবোৰত যিদৰে পৃথক ৰূপত প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া সমাজৰ বাবে ভয়াবহ লক্ষণ। তেওঁলোকে যুক্তি দিয়ে যে গোলকীকৰণৰ প্ৰভাৱত সমাজৰ সুবিধাবাদী শ্ৰেণী লাভবান হ'ব আৰু অন্যহাতে বৃহৎ সংখ্যক বঞ্চিত শ্ৰেণীটোৰ জীৱনধাৰণ অধিক কষ্টকৰ হব আৰু এক শ্ৰেণী লোকে ক'ব খোজে যে গোলকীকৰণ সমাজৰ বাবে কোনো নতুন সৃষ্টি নহয়। পিছৰ দুটা খণ্ডত আমি এই বিষয়ে

আলোচনা কৰিছো। ভাৰতে অতীতত কেনেদৰে আন্তঃৰাষ্ট্ৰীয় যোগসূত্ৰ স্থাপন কৰি চলিছিল আমি সেই বিষয়েও আলোকপাত কৰিম। তাৰোপৰি আমি বিচাৰ কৰিম যে গোলকীকৰণৰ নিৰ্দিষ্ট কিছুমান বৈশিষ্ট্য আছে নেকি, যদি আছে সেইবোৰ কি?

## ৬.১ গোলকীয় আন্তঃ যোগাযোগবোৰৰ বিশ্বত তথা ভাৰতত নতুন প্ৰক্ৰিয়া নেকি (Are Global Interconnections New to World and to India)

গোলকীকৰণে যদি বিশ্বৰ সমগ্ৰ ৰাষ্ট্ৰসমূহৰ মাজৰ যোগাযোগৰ কথাকে কয়, তেতিয়া আমি প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰো যে ই এটা নতুন পৰিঘটনা নেকি? প্ৰাচীন কালত ভাৰতবৰ্ষই বা পৃথিৱীৰ আন আন দেশ সমূহে এখনে আনখনৰ লগত যোগযোগ ৰক্ষা বা আন্তঃক্ৰিয়া কৰা নাছিল নেকি?

### পূৰ্ববতী কালছোৱা (The early years)

আজিৰ পৰা দুশ বছৰৰ আগতেও ভাৰতবৰ্ষ বিশ্ব মানচিত্ৰৰ পৰা আঁতৰত নাছিল। বুৰঞ্জীৰ পাঠ্যপুথিত আমি পঢ়িবলৈ পাওঁ যে কেইবা শতিকাৰ আগতে বিশ্বৰ কিছুমান মহান সভ্যতাৰ দেশ- চীন, পাৰ্চিয়া, ইজিপ্ত আৰু ৰোমৰ লগত ভাৰতৰ যোগাযোগ আছিল। ভাৰতৰ অতীত ইতিহাসৰ পাত মেলি চালে দেখা পাওঁ যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা এই দেশলৈ মানুহ আহিছিল, কেতিয়াবা বেপাৰ বাণিজ্যৰ বাবে, কেতিয়াবা যুদ্ধ জয়ীৰূপে, কেতিয়াবা মাটিবাৰীৰ সন্ধানত প্ৰব্ৰজনকাৰী ৰূপত আহি এই দেশত বসবাস কৰিছিলহি। ভাৰতৰ অতি ভিতৰুৱা অঞ্চলৰ গাঁওবোৰত বসবাস কৰি থকা লোকসকলে কাচিৎহে মনত পেলায় যে তেওঁলোকৰ পূৰ্বপুৰুষসকল কেতিয়া, ক'ত বসবাস কৰিছিল, তেওঁলোক ক'ৰপৰা আহিছিল বা বৰ্তমান ক'ত আছে।

**বন্ধনী ৬.১**

এইটো বিশেষভাৱে উল্লেখযোগ্য যে সংস্কৃত ভাষাৰ মহান ব্যাকৰণবিদ পানিনি আছিল এজন আফগান মূলৰ, যিজনে খৃষ্টপূৰ্ব চতুৰ্থ শতিকাতে সংস্কৃত ব্যাকৰণ আৰু ধ্বনি বিজ্ঞানক পদ্ধতিগতভাৱে ৰূপান্তৰ কৰিছিল। সপ্তম শতিকাৰ চীন দেশৰ পণ্ডিত ই জিংয়ে (Yi Jing) চীনৰ পৰা ভাৰতলৈ প্ৰত্যাবৰ্তনৰ সময়ত শ্ৰীবিজয়ামহানগৰৰ জাভাত (Java) সংস্কৃত শিক্ষা লৈছিল। সমগ্ৰ এছিয়া মহাদেশতে থাইলেণ্ডৰ পৰা আৰম্ভ কৰি মালয়, ইন্দোচীন, ইন্দোনেচীয়া, ফিলিপাইন , কোৰিয়া, জাপান আদি বিস্তৃত অঞ্চল জুৰি যিবোৰ ভাষা আৰু ভাষাগত শব্দ ব্যৱহাৰ হৈ আছে সেইবোৰে আন্তক্ৰিয়াক সুন্দৰকৈ প্ৰতিফলন কৰাকে বুজায়........ সঙ্গীহীন হৈ থকাৰ পৰিণতি কি হব পাৰে এই বিষয়ে নীতি শিক্ষা দিয়া নাদৰ ভেকুলী আখ্যানটোলৈ চাব পাৰি যিটো সংস্কৃত সাহিত্যৰ পাঠ্যপুথিত সঘনেই উল্লেখ হৈ থাকে ........“ ভেকুলীয়ে ওৰে জীৱন নাদত বাস কৰে অৰ্থাৎ অতি ঠেক আৰু সীমিত পৰিবেশত। নাদৰ সীমাটোৰ বাহিৰে

ভেকুলীটোৱে একো নাজানে, আনক সন্দেহৰ চকুৰে চায়, কাৰো লগত কথা-বতৰা হোৱাৰ সুবিধা নাথাকে আৰু কোনো কথাকে আনক সুধিবলৈ বা কথা-বতৰা আঁত বিচাৰিবৰ উপায় নাথাকে। বাহিৰৰ জগতখনৰ লগত সদায় সন্দেহ থাকে। বিশ্বৰ বহিঃজগতৰ লগত যদি সংস্পৰ্শ এৰাই আমি সেই নাদৰ ভেকুলীৰ দৰে থাকো, তেন্তে আমাৰ বাবে বিশ্বৰ বৈজ্ঞানীক, কাৰিকৰী, সাংস্কৃতিক তথা অৰ্থনৈতিক ইতিহাস সেই নাদৰ ভেকুলীৰ দৰে অতি সীমিত হৈ ৰব। (Sen 2005:84-86)

গতিকে, গোলকীয় আন্তঃক্ৰিয়া আনকি গোলকীয় দৃষ্টিভঙ্গী আজিৰ যুগৰ আধুনিক ভাৰতৰ বাবে কোনো এটা বিশেষ নৱ উন্মেষেই হৈ থকা নাই।

## ঔপনিৱেশিকতাবাদ আৰু গোলকীয় যোগাযোগ (Colonialism and the Global Connection)

ঔপনিৱেশিকতাবাদ শাসন কালৰ আঁত ধৰিয়েই আধুনিক ভাৰতৰ সামাজিক প্ৰগতিৰ কথা আমি আৰম্ভ কৰিছিলো। প্ৰথম অধ্যায়ৰ আলোচনা তোমালোকে নিশ্চয় মনত পেলাবা যে বৰ্তমানৰ পুঁজিবাদে আৰম্ভণিৰে পৰাই কেনেকৈ গোলকীয় দিশবোৰ আহৰণ কৰি আহিছে। ক'বলৈ গলে পুঁজিবাদ ঔপনিৱেশিকতাবাদৰে অংশ আছিল । এই পুঁজিবাদ বৰ্ত্তি থাকিবৰ বাবে নতুন মূলধনৰ উৎস, কেঁচা সামগ্ৰী, শক্তিখণ্ড, বজাৰ, আৰু আন্তঃৰাষ্ট্ৰীয় যোগাযোগৰ প্ৰয়োজন আছিল। গোলকীকৰণৰ অংশ স্বৰূপে আজিকালি বৃহৎ সংখ্যক মানুহৰ চলাচল বা প্ৰব্ৰজন আৱশ্যকীয় হৈ পৰিছে। তোমালোকে নিশ্চয় জানা যে পৃথিৱীত বৃহৎ সংখ্যক মানুহৰ প্ৰব্ৰজন ঘটিছিল যেতিয়া ইউৰোপীয় হেজাৰ হেজাৰ মানুহ আমেৰিকা আৰু অষ্ট্ৰেলিয়ালৈ গৈ তাত বসবাস কৰিছিল । তোমালোকৰ নিশ্চয় মনত আছে যে কেনেকৈ ভাৰতৰ পৰা চুক্তিবদ্ধ কৰি জাহাজেৰে বনুৱাসকলক সূদৰ এচিয়া, আফ্ৰিকা আৰু আমেৰিকালৈ নিয়া হৈছিল । আকৌ আফ্ৰিকাৰ হেজাৰ হেজাৰ দাসসকলক সুদূৰ উপকুলীয় দেশবোৰলৈ নিয়াৰ কথা নিশ্চয় মনত আছে।

## স্বাধীন ভাৰতবৰ্ষ আৰু সমসাময়িক বিশ্ব (Independent India and the World)

স্বাধীনতা অৰ্জন কৰাৰ পিছতো ভাৰতবৰ্ষই সেই বিশ্বজোৰা মনোভাৱ (Global outlook) অটুত ৰাখিছে। কিছুমান দিশৰ পৰা চাবলৈ গ'লে ভাৰতৰ জাতীয় আন্দোলনেও এই ঐতিহ্য অক্ষুণ্ণ ৰাখিছে। গোটেই বিশ্বতে মুক্তি আন্দোলনৰ (liberation movement) হকে যিবোৰ দায়বদ্ধতা বিয়পি পৰিছিল, বিশ্বৰ বিভিন্ন প্ৰান্তত থকা জনগণৰ মাজৰ একতা আৰু সহৃদয়তা গোলকীকৰণৰে অংশস্বৰূপ হৈ উঠিছিল। উচ্চ দিক্ষা আৰু চাকৰিৰ বাবে বহুত ভাৰতীয়ই বিদেশলৈ ঢাপলি মেলিছিল। এইদৰেই জন প্ৰব্ৰজন

(migration) নিৰৱছিন্ন ভাৱে চলি আহিছিল। স্বাধীনতাৰ পাছৰ পৰা কেঁচা সামগ্ৰীবোৰৰ আমদানি আৰু ৰপ্তানি কৰা বয়-বস্তু আৰু প্ৰযুক্তিৰ আদান-প্ৰদান আদি কাৰ্যবোৰ অনেক সময়ত প্ৰগতিৰে অংশ ৰূপে গণ্য কৰা হৈছিল। তেনেদৰেই বিদেশী প্ৰতিষ্ঠানবোৰে (firms) ভাৰতত থিতাপি লবলৈ আৰম্ভ কৰিলে। গতিকে এতিয়া আমাৰ প্ৰশ্ন হ'ব যে বৰ্ত্তমানৰ সমাজ পৰিবৰ্ত্তনৰ যিবোৰ প্ৰক্ৰিয়া, সেইবোৰ মূলতে অতীতত দেখি অহা প্ৰক্ৰিয়াবোৰৰ পৰা একেবাৰে বেলেগ নেকি?

## ৬.২ গোলকীকৰণৰ বিষয়ে (Understanding Globalisation)

আমি দেখা পালো যে ভাৰতে অতি প্ৰাচীন কালৰেপৰাই গোলকীয় বিশ্বৰ লগত গুৰুত্বপূৰ্ণ যোগাযোগ ৰক্ষা কৰি আহিছে। আমি এইটোও পাহৰি যাব নেলাগিব যে সমগ্ৰ বিশ্ব সম্পদ নিয়ন্ত্ৰণ কৰি যিদৰে ইউৰোপত পুঁজিবাদে গা কৰি উঠিছিল, ঔপনিৱেশিক শাসনবোৰ তেনেদৰেই গঢ়ি উঠিছিল। এইখিনিতে উত্থাপন হ'ব পৰা প্ৰশ্নটো হৈছে গোলকীকৰণ মানে গোলকীয় আন্তঃযোগাযোগ নেকি? নতুবা পুঁজিবাদী ব্যৱস্থাৰ বাবে উৎপাদন আৰু যোগাযোগৰ পৰিৱৰ্ত্তন, শ্ৰম আৰু মূলধনৰ সংগঠন, প্ৰযুক্তিবিদ্যাৰ নৱ উদ্ভাৱন, সাংস্কৃতিক অভিজ্ঞতা, চৰকাৰী শাসন ব্যৱস্থা তথা সামাজিক জনজাগৰণ আদিও গোলকীকৰণৰে অন্তৰ্ভুক্ত কথা নেকি? এনেধৰণৰ পৰিৱৰ্তনবোৰ অতি দৰকাৰী বুলি বিবেচনা কৰা হয় কাৰণ পুঁজিবাদ গঢ় লোৱাৰ প্ৰাক্ ক্ষণত এইবোৰে প্ৰত্যক্ষ ভাৱে গা-কৰি উঠে।

গোলকীকৰণৰ কিছুমান নিৰ্দ্দিষ্ট বৈশিষ্ট্যৰ বিষয়ে আমি আমাৰ আলোচনাত দাঙি ধৰিম। তোমালোকে দেখিবা যে গোলকীয় আন্তঃযোগাযোগ বুলি যি সহজ ধাৰণা লোৱা হয়, সেই ধাৰণাই গোলকীকৰণৰ গভীৰতা আৰু জটিলতাক সাঙুৰি ল'ব নোৱাৰে।

গোলকীকৰণে ইয়াকে সূচায় যে ভিন ভিন মানুহ, ভৌগলিক অঞ্চল তথা বিভিন্ন ৰাষ্ট্ৰৰ মাজৰ পাৰস্পৰিক সম্বন্ধ আৰু নিৰ্ভৰশীলতা ক্ৰমবৰ্দ্ধমান গতিত আগবাঢ়ি যোৱা এটা প্ৰক্ৰিয়া, যাৰদ্বাৰা বিশ্বজোৰা সামাজিক আৰু অৰ্থনৈতিক বান্ধোনবোৰে অধিক প্ৰসাৰতা লাভ কৰে। গোলকীকৰণ প্ৰক্ৰিয়াত অৰ্থনৈতিক শক্তিবোৰ (economic forces) যদিও অবিচ্ছেদ্য অংশস্বৰূপ, তথাপিও ইয়েই একমাত্ৰ কাৰণ বুলি ক'ব নোৱাৰি। অৰ্থনৈতিক শক্তিবোৰে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবোৰৰ (information and communication technologies) অধিক খৰতকীয়া কৰি তোলে যাৰ সহায়ত বিশ্বৰ যিকোনো অংশৰ মানুহৰ লগত দ্ৰুতগতিৰে আন্তঃক্ৰিয়া সম্ভৱ হৈ উঠে। তাৰ ওপৰিও, ইয়াৰ অন্তৰালত ৰাজনৈতিক উদ্দেশ্যবোৰো জড়িত হৈ থাকে। আমাৰ সুবিধাৰ বাবে আমি এই ক্ষেত্ৰত অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশবোৰ বেলেগে বেলেগে

আলোচনা কৰাতো সমীচীন হ'ব। কিন্তু এইবোৰ আছুতীয়া দিশ নহয়, বৰঞ্চ এটাৰ লগত আনটো ঘনিষ্ঠভাৱে সাঙোৰ খাই আছে।

## গোলকীকৰণৰ বিভিন্ন পৰিধিবোৰ (The Different Dimensions of Globalisation)

### অৰ্থনৈতিক (The Economic)

ভাৰতবৰ্ষত আমি দুটা বিশেষ শব্দ সঘনাই উচ্চাৰণ কৰো, সেয়া হৈছে উদাৰীকৰণ (liberalisation) আৰু গোলকীকৰণ (Globalisation)। প্ৰকৃতাৰ্থত শব্দ দুটা যদিও ওচৰা-উচৰি, কিন্তু একে নহয়। আমি দেখিছো যে ভাৰতবৰ্ষত ১৯৯১ চনত দেশৰ অৰ্থনৈতিক নীতিবোৰৰ কিছুমান পৰিবৰ্তন সাধন কৰিবলৈ সিদ্ধান্ত কৰা হৈছে। এই পৰিবৰ্তনবোৰকে উদাৰীকৰণ নীতি বুলি কোৱা হয়।

### (a) অৰ্থনীতিৰ উদাৰীকৰণ নীতি (The Economic Policy of liberalisation)

গোলকীকৰণে সমগ্ৰ বিশ্বক সামাজিক আৰু অৰ্থনৈতিক বান্ধোনৰ দ্বাৰা প্ৰসাৰতা লাভ কৰাত সহায় কৰে। এই প্ৰসাৰতাবোৰ ঘাইকৈ কিছুমান অৰ্থনৈতিক নীতিৰে নিৰ্ধাৰণ কৰে। বহল অৰ্থত ভাৰতবৰ্ষত ইয়াক মুক্তকৰণ বা উদাৰীকৰণ বুলি জনা যায়। উদাৰীকৰণ মানে উদাৰ মনোভাৱ গ্ৰহণ কৰা। ভাৰত চৰকাৰে ১৯৯১ চনৰে পৰা ভাৰতীয় অৰ্থনীতিক বিশ্ব বজাৰলৈ মুকলি কৰিবলৈ লোৱা এলানি সিদ্ধান্ত গ্ৰহণৰ আঁচনিকেই মুখ্যতঃ উদাৰীকৰণ নীতি বুলি কোৱা হয়। এইটোৱে ইয়াকে সূচায় যে ইয়াৰ আগতে ভাৰতে ইয়াৰ অৰ্থনীতিৰ ওপৰত কেতবোৰ নিয়ন্ত্ৰণ ব্যৱস্থা আৰোপ কৰি আহিছিল। স্বাধীনতাৰ পিচত ভাৰতবৰ্ষই ভালেমান আইন প্ৰণয়ন কৰিলে আৰু নিশ্চিত কৰিবলৈ প্ৰয়াস কৰিলে যাতে ভাৰতীয় বজাৰ আৰু দেশৰ নিজা ব্যৱসায় বাণিজ্যবোৰ বিশ্ব বজাৰৰ প্ৰতিযোগিতাত সুৰক্ষিত হৈ থাকে। এই নীতিৰ অন্তৰ্নিহিত এটা ভাৱধাৰা আছিল মুক্ত বজাৰ ব্যৱস্থাৰ জৰিয়তে আগৰ ঔপনিৱেশিক শাসনকালৰ দুৰৱস্থাবোৰ যাতে আঁতৰ কৰিব পৰা যায়। ভাৰতীয় অৰ্থনীতিত ঔপনিৱেশিকতাৰ প্ৰভাৱৰ সম্পৰ্ক তোমালোকে প্ৰথম অধ্যায়ত পঢ়ি আহিছা। ৰাষ্ট্ৰই এই কথা বিশ্বাস কৰিছিল যে কেৱল বজাৰ ব্যৱস্থাৰ জৰিয়তেই জনসাধাৰণৰ বিশেষকৈ বঞ্চিত লোকসকলৰ সকলো প্ৰকাৰৰ কল্যাণ সাধন কৰিব নোৱাৰি। গতিকে জনসাধাৰণৰ কল্যাণ সাধন কৰাত ৰাষ্ট্ৰৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা থাকে। তৃতীয় অধ্যায়ৰ আলোচনাৰ পৰা তোমালোকে বুজিব পাৰিবা যে ভাৰতীয় সংবিধান প্ৰণেতাসকলৰ বাবে সামাজিক ন্যায়ৰ এনেধৰণৰ বিষয়বোৰ কিমান গুৰুত্বপূৰ্ণ আছিল।

অৰ্থনীতি উদাৰীকৰণ বুলিলে এইটোকে বুজিব লাগিব যে ভাৰতীয় বাণিজ্য তথা বিত্তীয় বিভাগবোৰৰ আইনবোৰ ধীৰ গতিত মুকলি কৰি নিয়া এক প্ৰচেষ্টা। এনেধৰণৰ

প্ৰচেষ্টাবোৰক বহু সময়ত অৰ্থনৈতিক সংস্কাৰ (economic reforms) বুলিও কোৱা হৈছে। এনেধৰণৰ সংস্কাৰবোৰ কি কি? ১৯৯১ চনৰ জুলাই মাহৰ পৰা ভাৰতীয় অৰ্থনীতিৰ কেইটামান প্ৰধান খণ্ডত এনেধৰণৰ সংস্কাৰ ফুটি উঠিছে। সেই খণ্ডবোৰ হৈছে কৃষি, শিক্ষা, উদ্যোগ, ব্যৱসায়, বৈদেশিক বিনিয়োগ আৰু প্ৰযুক্তি বিদ্যা, ৰাজহুৱা খণ্ড, বিত্তীয় প্ৰতিষ্ঠান আদি। এইবোৰৰ অন্তৰালত এনে এটা ভাব আছিল যে বিশ্ব বজাৰৰ লগত অধিক সংস্থাপনৰ জৰিয়তে ভাৰতীয় অৰ্থনীতিও লাভৱান হৈ উঠিব।

উদাৰীকৰণ প্ৰক্ৰিয়াৰ আন এটা উল্লেখযোগ্য দিশ হৈছে আন্তঃৰ্জাতিক ব্যৱস্থাসমূহ যেনে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (International Monetary Fund, IMF)ৰ পৰা অৰ্থসাহাৰ্য্য আদায় কৰা। এই সাহাৰ্য্যবোৰ কিছুমান চৰ্ত্ততহে দিয়া হয়। এই ক্ষেত্ৰত ৰাষ্ট্ৰই ইয়াৰ সংৰচনাত্মক ব্যৱস্থাপনৰ (Structural adjustment ) বাবে কিছুমান বিশেষ অৰ্থনৈতিক পদক্ষেপ লবলৈ দায়বদ্ধ হ'ব লগা হয়। এই ব্যৱস্থাপনাবোৰৰ ভিতৰত প্ৰধানকৈ সামাজিক কেইটামান খণ্ড যেনে স্বাস্থ্য, শিক্ষা তথা সামাজিক সুৰক্ষা ক্ষেত্ৰত, ৰাজহুৱা খৰচ হ্ৰাস কৰা আদি। এইক্ষেত্ৰত বিশ্ব বাণিজ্য-সংস্থা (WTO) ৰ লেখীয়া আন্তঃৰাষ্ট্ৰীয় সংস্থাবোৰে অধিক কৰণীয় কামবোৰ হাতত লৈ থাকে।




## (b) ৰাষ্ট্ৰজোৰা নিগমসমূহ (The Transnational Corporations)

গোলকীকৰণ প্ৰক্ৰিয়াক দ্ৰুত গতিৰে আগবঢ়াই নিয়াত ৰাষ্ট্ৰৰ বাহিৰত অৱস্থিত নিগমসমূহৰ (trasnational-corporations TNCS) ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। এই নিগমবোৰ হৈছে বিভিন্ন কোম্পানীবোৰ। এই কোম্পানীবোৰে সমগ্ৰ বিশ্বত এখনতকৈ অধিক দেশত একেসময়তে সামগ্ৰী উৎপাদন কৰে আৰু বজাৰৰ চাহিদা পূৰণ কৰে।

এইবোৰ দৰাচলতে এটা বা দুটা কাৰখানাৰে স্থাপিত হোৱা কিছুমান সৰু সৰু ব্যৱসায় প্ৰতিষ্ঠান (firms) আৰু দেশৰ বাহিৰত য'তেই এইবোৰ প্ৰতিষ্ঠা কৰা হয় তাতেই এইবোৰে ভেটি স্থাপন কৰে। কেতিয়াবা এইবোৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বৃহৎ ৰূপত গা কৰি উঠে আৰু ইয়াৰ কাৰ্যকলাপে সমগ্ৰ বিশ্বক আগুৰি ৰাখে। গোটেই বিশ্বতে সৰ্বত্ৰব্যাপী থকা TNC ৰ বৃহৎ বৃহৎ কোম্পানীবোৰৰ কেইটামান হৈছে- (Coca Cola,General Motors, Colgate Palmolive, Kodak, Mitsubishi আৰু অন্যান্য বহুতো। এই কোম্পানীবোৰ কোনো এখন বিশেষ ৰাষ্ট্ৰত থাকিলেও লাভাংশ আদায় কৰি থাকে। আজিকালি ভাৰতীয় কিছুমান কোম্পানীয়েও এনেদৰে বিশ্বৰ বিভিন্ন বজাৰত থিতাপি লাভ কৰিছে। গতিকে এই অৱস্থাত আমি এতিয়া নিশ্চিত নহয় যে এই ধাৰা অব্যাহত থাকিলে সমগ্ৰ ভাৰতবাসী তথা বিশ্বৰ মানুহে কিদৰে ইয়াৰ উপলব্ধি কৰিব।

## (c) ইলেকট্ৰনিক অৰ্থনীতি (The Electronic economy)

অৰ্থনৈতিক গোলকীকৰণ প্ৰক্ৰিয়াক আৰু এখোজ আগবঢ়াই নিয়াৰ আন এটা প্ৰধান কাৰক হৈছে ইলেকট্ৰনিক অৰ্থনীতি। বেংক, বিভিন্ন নিগমসমূহ, নিধিৰ কৰ্মকৰ্তাসকল তথা ঔদ্যোগিক প্ৰতিষ্ঠানৰ বিনিয়োগকাৰীসকলে খন্তেকতে কম্পিউটাৰৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত টকা পইচাৰ লেনদেন কৰিব পাৰে। এইধৰণৰ নতুন বৈদ্যুতিক

### ক্ৰিয়াকলাপ ৬.২

বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰবোৰত থকা কোম্পানীবোৰে উৎপাদন কৰা তোমালোকে ব্যৱহাৰ কৰা নতুবা বিজ্ঞাপনত দেখা সামগ্ৰী কিছুমানৰ তলিকা প্ৰস্তুত কৰা যেনে

- জোতা-চেণ্ডেল
- কেমেৰা
- কম্পিউটাৰ
- টেলিভিচন
- মটৰ গাড়ী
- মিউজিক চিষ্টেম
- প্ৰসাধন সামগ্ৰী যেনে চাবোন,চেম্পু আদি
- কাপোৰ- কানি
- তৈয়াৰী খাদ্য বস্তু
- চাহ,কফি, পাউদাৰ, গাখীৰ আদি


Knee-jerk reactions behi[nd]
high market volatility
Developments both at home and abroad sway sentiment
THE YEAR OF BULLS AND BUYOUTS
CONTAGION EFFECT: An investor watches the market closing on the screen at the entrance of the Bombay Stock Exchange.

যোগাযোগে অৱশ্যে অনেক বিপদসংকুল অৱস্থাৰ সৃষ্টি নকৰা নহয়। বিদেশী প্ৰতিষ্ঠানবোৰে ষ্টক বেচা-কিনা কৰি লাভ আৰ্জন কৰাৰ ফলত ষ্টক বজাৰত সূচাংক উঠা-নমা কৰা ঘটনা ভাৰতবৰ্ষত প্ৰায়েই আলোচনা হৈয়ে থাকে। যোগাযোগৰ অত্যাধিক খৰতকীয়া বিপ্লৱৰ ফলতেই টকা-পইচাৰ এনেধৰণৰ লেনদেনৰ সম্ভৱ হৈ উঠিছে। এই বিষয়ে আমি পিচত আলোচনা কৰিম।

### (d) ভাৰ-শূন্য অৰ্থনীতি অথবা জ্ঞান অৰ্থনীতি ( Weightless economy বা Knowledge economy)

আগৰকালৰ দৰে কৃষি বা ঔদ্যোগিক অৰ্থনীতিয়েই গোলকীয় অৰ্থনীতিৰ প্ৰধান আধাৰ হৈ থকা নাই। ভাৰ-শূন্য (weightless) অৰ্থনীতি হৈছে এনে এক প্ৰকাৰৰ অৰ্থনৈতিক ব্যৱস্থা য'ত তথ্যই হৈছে একমাত্ৰ সামগ্ৰী (Products), যেনে কম্পিউটাৰ চফ্‌ট্‌ৱেৰ, প্ৰচাৰ মাধ্যম, মনোৰঞ্জনৰ সামগ্ৰীবোৰ আৰু ইন্টাৰনেটৰ জৰিয়তে লাভ কৰা সুবিধাবোৰ। আকৌ জ্ঞান অৰ্থনীতি (Knowledge) হৈছে য'ত শ্ৰমিকে নিজেই সশৰীৰে বয়বস্তুৰ উৎপাদন আৰু বিতৰণ নিয়োগ হব নালাগে। তাৰ বিপৰীতে সেইবোৰৰ আৰ্হি নিৰ্মাণ, ক্ৰমাগত বৃদ্ধি (development), প্ৰযুক্তি কৌশলৰ সম্প্ৰসাৰণ, বেচা-কিনা তথা সেৱা বিতৰণত শ্ৰমিকসকল নিয়োজিত হৈ থাকে। তেওঁলোকে বিভিন্ন প্ৰকাৰৰ কেটাৰিং চাৰ্ভিচৰ যোগান ধৰে।

ওচৰ-চুবুৰীয়াৰ পাৰিবাৰিক উৎসৱ তথা বিয়াবোৰৰ পৰা আৰম্ভ কৰি বৃহৎ বৃহৎ প্ৰতিষ্ঠানবোৰৰ পেছাদাৰী সভা-সমিতিলৈকে সেৱা যোগান ধৰাত তেওঁলোক নিয়োজিত হৈ পৰে। কিছুবছৰৰ আগলৈকে 'event manager' নামৰ একোটা পদবীৰ বিষয়ে আমি শুনা নাছিলো। তোমালোকে শুনিছানে ? তেওঁলোকৰ কাম কি ? এনেধৰণৰ নতুন পদবীৰ বিষয়ে আৰু কিবা জানানে বিচাৰাচোন।

**বন্ধনী ৬.২**

আমি বহুতেই পাতল বতাহৰ পৰাই আমাৰ অৰ্থ আহৰণ কৰিছো। আমি সেইবোৰ সামগ্ৰীয়েই উৎপাদন কৰিছো যিবোৰ হাতেৰে চুবও নোৱাৰি, ওজন কৰিব নোৱাৰি নতুবা সেইবোৰৰ জোখ-মাখ ল'বও নোৱাৰি। আমাৰ উৎপাদিত সামগ্ৰীবোৰ কোনো বন্দৰ বা জাহাজঘাটত মজুত কৰি ৰখা নহয়, গুদামত বা ৰেলৰ দ্বাৰা অনা নিয়া কৰাও নহয়। আমি সেৱা আগবঢ়াইছো, টেলিফোন কল চেন্টাৰ, উকীলৰ কাৰ্যালয়, চৰকাৰী বিভাগ বা বিজ্ঞাপনৰ পৰীক্ষাগাৰত তথ্য আহৰণ কৰি বিশ্লেষণ কৰিছো আৰু এইবোৰৰ যোগেদিয়েই জীৱিকা চলাই নিছো। আমি সকলোৰেই পাতল বতাহৰ ব্যৱসায় কৰিছো।

**Source :** Charles Leadbeater 1999 Living on Thin Air: The New Economy (London: Viking)

**বন্ধনী ৬.২ ৰ অনুশীলনী**

১) তোমাৰ ওচৰ চুবুৰীয়াসকললৈ লক্ষ্য কৰা আৰু বয়স্ক লোকসকলে কেনেধৰণৰ কাম কৰে, সেই কামৰ তালিকা প্ৰস্তুত কৰা। তুমি দেখা মতে কিমানজন লোকে সেৰা আগবঢ়োৱা কামত ব্যস্ত থাকে? আলোচনা কৰা।

২) তোমাৰ শ্ৰেণীৰ বন্ধু-বান্ধৱসকলে তেওঁলোকৰ ভৱিষ্যতৰ বাবে কেনেকুৱা কৰ্ম আঁচ নি লৈছে, জানিবলৈ চেষ্টা কৰা। ভাৰ-শূন্য অৰ্থনীতিৰ প্ৰসঙ্গত সেইবোৰ আলোচনা কৰা।

### (e) বিত্ত গোলকীকৰণ (Globalisation of finance)

এটা কথা মনত ৰাখিব লাগিব যে তথ্য প্ৰযুক্তি বিপ্লৱেই বিত্ত গোলকীকৰণ প্ৰক্ৰিয়াৰ প্ৰথম সূচনা কৰে সম গ্ৰ বিশ্বজুৰি একত্ৰিত হৈ থকা বিত্তীয় বজাৰবোৰে বৈদ্যুতিক যোগাযোগৰ জৰিয়তে এক চেকেণ্ডৰ ভিতৰতে হাজাৰ বিলিয়ন ডলাৰ আদান -প্ৰদান কৰিব পাৰে। মূলধনৰ বজাৰ আৰু প্ৰতিৰক্ষা বজাৰত দিনটোৰ ২৪ ঘন্টা জুৰি ব্যৱসায়িক কাৰ্যকলাপ চলি থাকে। নিউইৰ্য়ক, ট'কিও আৰু লণ্ডনৰ দৰে চহৰবোৰ বিত্তীয় বজাৰৰ ঘাই কেন্দ্ৰস্থল। ভাৰততো মুম্বাই চহৰখনক বাণিজ্যিক ৰাজধানী (financial capital) বুলি জনা যায়।

**ক্ৰিয়াকলাপ ৬.৩**

➤ টেলিভিচনত দেখা পোৱা বাণিজ্যিক চেনেল মুঠতে কেইটা আছে হিচাপ কৰা। ষ্টক বজাৰৰ শেহতীয়া তথ্য, বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ গতিধাৰা, বিভিন্ন কোম্পানীবোৰৰ বিত্তীয় ৰিপৰ্টবোৰৰ শেহতীয়া স্থিতিবোৰ প্ৰস্তুত কৰা। ভাৰতীয় চেনেল বা বিদেশী চেনেল যিকোনো এটা তোমালোকে বাছি লব পাৰা।

➤ বাণিজ্যিক বাতৰি কাকত কেইখনৰ নামতালিকা যুগুতোৱা? এই বাতৰি কাকতৰোৰে সমগ্ৰ বিশ্বৰ বাণিজ্যিক ধাৰাবোৰ কেনেদৰে প্ৰতিফলিত কৰিছে?

➤ বাণিজ্যিক এই গতিধাৰাই আমাৰ জীৱনক কেনেদৰে প্ৰভাৱান্বিত কৰিছে?

### গোলকীয় যোগাযোগ (Global Communications)

প্ৰযুক্তিবিদ্যাৰ উল্লেখনীয় অগ্ৰগতি আৰু গোটেই পৃথিৱীজোৰা দূৰ-সংযোগৰ আন্তঃগাঁথনিয়ে গোলকীয় সংযোগ ব্যৱস্থাত এটা বৈপ্লৱীক পৰিৱৰ্তন আনি দিলে। কিছুমান ব্যক্তিগত বাসস্থান তথা ভালেমান কাৰ্যালয়ে বিশ্বৰ বহিঃজগতৰ সৈতে একাধিক সংযোগ ব্যৱস্থাৰে সাঙোৰ খাই পৰিছে। এইবোৰৰ ভিতৰত লেণ্ড লাইন আৰু ম'বাইল টেলিফোন, ফেক্স মেচিন , ডিজিটেল আৰু কেইব্‌ল্ টেলিভিচন, ই-মেইল (electronic mail)আৰু ইন্টাৰনেট আদিয়েই প্ৰধান। তোমালোকৰ বহুতেই হয়তো এনেবোৰ ঠাই দেখা পাবা বা


Flying high
With more airlines flying the skies and air travel becoming
is time to look at infrastructure development and the
of facilities at Indian airports.
VINAY KUMAR
A THOUGHT FOR
hat is the trouble with flying
have to return to
HENRY MINIZBURG
Dizzying
Direct international flights
to more non-
s small-town India gearing
As many as 15 towns in
abroad and the list
Jaipur,
GATE - 3

বহুতেই নাপাবও পাৰা। আমাৰ দেশত আমি সাংখ্যিক বিভাজন (digital divide) বুলি যি ধাৰণা লওঁ এইবোৰ তাৰেই পৰিচায়ক মাথোন। এনেধৰণৰ সাংখ্যিক বিভাজন থাকিলেও প্ৰযুক্তিবিদ্যাৰ এই কৌশলে মানুহৰ সময় আৰু ভৌগলিক ব্যৱধানৰ সংকোচন ঘটোৱাত অধিক সহায়ক হৈছে। আমাৰ পৃথিৱী গ্ৰহৰ দুটা মূৰে থকা দুজন ব্যক্তি, ধৰাহওঁক এজন বাঙ্গালোৰত আৰু আনজন নিউইৰ্য়কত- এই দুজন ব্যক্তিয়ে কেৱল কথা পতাৰ সুবিধাই নহয়, তেওঁলোকে ইজনে সিজনৰ মাজত ছেটেলাইট প্ৰযুক্তিৰ সহায়ত নথিপত্ৰ তথা ছবি আদিও প্ৰেৰণ কৰিব পাৰে। তোমালোকে ইতিমধ্যে BPO (Business Process Outsourcing) সমূহে কেনেদৰে কাম কৰে সেইবিষয়ে আগৰ অধ্যায়বোৰত পাই আহিছা।








**ক্ৰিয়াকলাপ ৬.৪**

- ➢ তোমাৰ ঘৰৰ কাষত ইন্টাৰনেটৰ দোকান (internet cafe) আছেনে?
- ➢ এইবোৰ কোনে ব্যৱহাৰ কৰে? কোনবোৰ কামৰ বাবে তেওঁলোকে ইন্টাৰনেট ব্যৱহাৰ কৰে?
- ➢ এইবোৰ কোনো বিশেষ কিবা উদ্দ্যেশ্যৰ বাবে কৰেনে? এইবোৰ কোনো মনোৰঞ্জনৰ বাবেও হ'ব পাৰে নেকি?
- ➢ তোমাৰ ঘৰৰ কাষত STD/ ISD টেলিফোন চেন্টাৰ আৰু FAX ৰ সুবিধা আছেনে?

**বন্ধনী ৬.৩**

১৯৯০ চন মানৰেপৰা গোটেই বিশ্বতে ইন্টাৰনেটৰ ব্যৱহাৰ উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। ১৯৯৮ চনৰ সমীক্ষামতে বিশ্বত ইন্টাৰনেটৰ ব্যৱহাৰ কৰা লোকৰ সংখ্যা ৭০ মিলিয়ন। ইয়াৰ ৬২ শতাংশ লোক যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ, বাকী ১২ শতাংশ এচিয়া মহাদেশৰ। ২০০০ চনত ইন্টাৰনেট ব্যৱহাৰ কৰা লোকৰ সংখ্যা হয়গৈ ৩২৫ মিলিয়ন। ভাৰতত ইন্টাৰনেট গ্ৰাহকৰ সংখ্যা ৩ মিলিয়নৰ পৰা বৃদ্ধি হৈ ২০০০ চনলৈকে ১৫ মিলিয়ন হয়গৈ। দেশত চাইবাৰ কাফে (cyber cafe) ৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি হোৱাতো গৌৰৱৰ কথা। (Singhal and Rogers 2001:235)।

২০০৬ চনৰ ১৫ আগষ্টত সম্প্ৰচাৰিত হোৱা CNN-IBN সমীক্ষাৰ মতে দেশৰ প্ৰায় ৭শতাংশ যুৱক-যুৱতীয়ে ইন্টাৰনেটৰ সা-সুবিধা লাভ কৰে, আনহাতে ৩ শতাংশ

লোকৰ নিজা ঘৰত ইয়াৰ সুবিধা আছে। উল্লেখ কৰা তথ্যবোৰে প্ৰকাশ কৰে যে কম্পিউটাৰ সুবিধাৰ বহুল প্ৰসাৰণৰ স্বত্বেও আমাৰ দেশত সাংখ্যিক বিভাজন (Digital divide) প্ৰক্ৰিয়া এতিয়াও অব্যাহত আছে। চাইবাৰ যোগাযোগৰ (Cyber Connectivity) সুবিধাবোৰ বহুলভাৱে নগৰীয়া বাসিন্দাসকলৰ বাবেহে উপভোগৰ বস্তু হৈ আছে, কিন্তু (Cyber cafe) বোৰৰ জৰিয়তে বহুল এলেকালৈ ইয়াক পাব পৰা ব্যৱস্থা কৰা হয়। কিন্তু গাওঁ অঞ্চলবোৰৰ অনিয়মিত বিদ্যুত যোগান, ব্যাপক হাৰত নিৰক্ষৰতা তথা টেলিফোন যোগাযোগৰ নিচিনা আন্তঃগাঁথনিৰ অভাৱৰ বাবে চাইবাৰ যোগাযোগৰ দিশত পিচপৰি আছে।

বন্ধনী ৬.৪

## ভাৰতৰ দুৰ সংযোগৰ প্ৰসাৰতা (India's Telecommunications Expansion)

ভাৰতে ১৯৪৭ চনত যেতিয়া স্বাধীনতা লাভ কৰিছিল তেতিয়া দেশৰ ৩৫০ মিলিয়ন লোকৰ বাবে ৮৪,০০০ টেলিফোন লাইনৰ সুবিধা আছিল। ৩৩ বছৰৰ পিছত অৰ্থাৎ ১৯৮০ চনলৈকে টেলিফোন সেৱা সন্তোষজনক নাছিল, কাৰণ দেশত সেই সময়ত ৭০০ মিলিয়ন মানুহৰ বাবে ২.৫ মিলিয়ন টেলিফোন আৰু ১২,০০০ ৰাজহুৱা টেলিফোনৰ ব্যৱস্থাহে আছিল। সেই সময়ত দেশৰ ৬০০,০০০ (ছয় লাখ) গাঁৱত ৩ শতাংশ গাঁৱলৈহে টেলিফোন সেৱাৰ ব্যৱস্থা আছিল। যি কি নহওক, ১৯৯০ দশকৰ শেষৰ ফালে দেশত দূৰ সংযোগৰ ক্ষেত্ৰত অদ্ভুত পৰিবৰ্তনে দেখা দিলে। ১৯৯৯ চনলৈকে ভাৰতবৰ্ষত ২৫ মিলিয়নতকৈ অধিক টেলিফোন যোগাযোগ সম্ভৱ হৈ উঠিল য'ত ৩০০ মহানগৰ, ৪৮৬৯ খন নগৰ আৰু ৩,১০,৮৯৭ খন গাঁৱলৈ এনে যোগাযোগৰ সম্প্ৰসাৰণ কৰা হ'ল। ইয়াৰ লগে লগে দূৰসংযোগৰ শাৰীত ভাৰতে বিশ্বৰ ভিতৰত নৱম স্থান লাভ কৰিবলৈ সক্ষম হৈ উঠিল।

১৯৮৮-১৯৯৮ চনৰ সময়ছোৱাত টেলিফোন যোগাযোগৰ সা-সুবিধা ২৭,৩১৬ ৰ পৰা বঢ়াই ৩,০০০০০ খন গাঁৱলৈ (দেশৰ মুঠ গাঁৱৰ আধা ) সম্প্ৰসাৰণ কৰা হয়। ২০০০ চনৰ ভিতৰত প্ৰায় ৬,৫০,০০০ ৰাজহুৱা টেলিফোন কেন্দ্ৰ (public call office PCO) গঢ় লৈ উঠে। এইবোৰলৈ মানুহে সহজে মিটাৰৰ নিৰিখত ধন দি দূৰ দূৰণিলৈ কথা পাতিব পৰা হ'ল। এনেধৰণৰ PCO দেশৰ চুকে কোণে আনকি অতি ভিতৰুৱা, গাঁও অঞ্চল, পাহাৰীয়া জনজাতি বসতি প্ৰধান অঞ্চলতো কাঠফুলা গছৰ দৰে গঢ়ি উঠিবলৈ ধৰে।

ভাৰতবৰ্ষৰ সামাজিক-সাংস্কৃতিক জীৱনত বিযেশকৈ পৰিয়ালৰ ব্যক্তিসকলে ইজনে সিজনৰ লগত আত্মিক সম্বন্ধ অটুট ৰখাত এই PCO বোৰে সকলো প্ৰকাৰে সহায় কৰে। বিয়া বাৰুৰ নিচিনা উৎসৱ পালন, আত্মীয়- কুটুমক দৰ্শন কৰা বা অন্ত্যেষ্টিক্ৰিয়া আদিত যোগদান কৰিবলৈ হাতত লোৱা ৰেল যাত্ৰাৰ মুহূৰ্তবোৰত পৰিয়ালৰ আত্মীয় জনৰ লগত ঘনিষ্ঠতা ৰক্ষা কৰাত টেলিফোনৰ উপযোগিতা বাৰুকৈয়ে অনুভৱ কৰা হয়। গতিকে দেখা যায় যে ভাৰতবৰ্ষত টেলিফোন ব্যৱহাৰৰ সম্প্ৰসাৰণে ইয়াৰ বাণিজ্যিক দিশৰ উপৰিও সামাজিক তথা সাংস্কৃতিক ক্ষেত্ৰবোৰত সবল ভূমিকা পালন কৰিছে। (Singhal and Rogers 2001: 188-89)

**বন্ধনী ৬.২ ৰ অনুশীলনী**

➤ 'দুৰসংযোগ ব্যৱস্থা আৰু ব্যক্তিগত সম্বন্ধ' এই বিষয়ে এখনি ৰচনা লিখা।

চে'ল'ফোনৰ ব্যৱ হাৰ ব্যাপক ৰূপত বাঢ়ি গৈছে। নগৰকেন্দ্ৰীক মধ্যবিত্ত শ্ৰেণীৰ যুবক-যুবতীসকলৰ হাতে হাতে থকা চে'ল'ফোনবোৰে প্ৰত্যেককৰে নিজৰ নিজৰ স্থিতিৰ পৰিচায়ক ৰূপে কাম কৰিছে। চে'ল'ফোনৰ ব্যৱহাৰ আৰু ইয়াৰ প্ৰয়োগ কেনেদৰে ভিন্ন ৰূপত দেখা যায়, তলত সীমাৰেখাৰ ভিতৰত বৰ্ণনা কৰা তিনিটা বৰ্ণনা চোৱা।

**বন্ধনী ৬.৫**

১৯৮৮ চনত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে ম'বাইল ফোনৰ পূৰ্বতে আদায় কৰা (Pre-paid) কাৰ্ডৰ ব্যৱস্থা নিষিদ্ধ কৰিছিল। এই নিষিদ্ধকৰণৰ যুক্তি আছিল যে বহুত দুস্কৃতিকাৰীয়ে (Criminals)এই প্ৰি-পেইড কাৰ্ডবোৰ ব্যৱহাৰ কৰিছিল যাৰ ফলস্বৰূপে এইবোৰ উৎখাট কৰিবৰ বাবে তদন্তকাৰীৰ হাতত উপায় নোহোৱা হৈছিল। এনেদৰে ব্যৱহাৰ কৰা দুস্কৃতিকাৰীৰ সংখ্যা যিহেতুকে অতি ক্ষুদ্ৰতম সংখ্যাহে আছিল, সেয়েহে টেলিফোন চালকসকলক (Operators) নিৰ্দেশ দিয়া হৈছিল যাতে তেওঁলোকে এনেধৰণৰ কাৰ্ড বিক্ৰী কৰাৰ আগতে গ্ৰাহকৰ নাম আৰু ঠিকনা প্ৰমাণসহ ৰাখে। ব্যক্তিগত খণ্ডৰ চালকসকলৰ প্ৰায় ৫০ শতাংশই তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠান হেৰুৱাব লগা হৈছিল কাৰণ তেওঁলোকে উক্ত প্ৰমাণীকৰণৰ তথ্যবোৰ ৰখা নাছিল।......১৯৯৮ চনত দেখা গ'ল যে ভাৰতত নতুন ম'বাইল গ্ৰাহকৰ সংখ্যা প্ৰায় ৫০ শতাংশ কমি গৈছিল যেতিয়া আয়কৰ বিভাগে নিৰ্দেশ জাৰি কৰিলে যে ম'বাইল গ্ৰাহকসকলে তেওঁলোকৰ আয়কৰ হিচাপ দাখিল কৰাটো বাধ্যবাধকতামূলক। এই নিদেৰ্শনা জাৰি কৰাৰ গূঢ়াৰ্থ আছিল যে যেতিয়া এজন ব্যক্তিয়ে ম'বাইল ফোনৰ দৰে এবিধ 'বিলাসী' (luxary) সামগ্ৰীৰ অধিকাৰী হ'ব পাৰে, তেওঁ নিশ্চয় আয়কৰৰ হিচাপ দাখিল কৰিব পৰা এক অধিক উপাৰ্জনৰ গৰাকীও হব পাৰে। (Singhal and Rogers : 2001:203-04)

**বন্ধনী ৬.৬**

ভাৰতৰ ম'বাইল বজাৰখন বিশ্বৰ ভিতৰতে এখন দ্ৰুতগতিত আগবঢ়া বজাৰ হৈ উঠিছে। ভাৰতত বাণিজ্যিকভাৱে ম'বাইল সেৱা আৰম্ভ হৈছিল **১৯৯৫** চনৰ আগষ্ট মাহত। প্ৰথম পাঁচ-ছয়বছৰৰ ভিতৰত ম'বাইল গ্ৰাহকৰ সংখ্যা প্ৰতিমাহে গড়ে প্ৰায় ০.০৫ ৰ পৰা ০.১ মিলিয়নলৈ আগ বাঢ়িছিল আৰু ২০০২ চনৰ ডিচেম্বৰ মাহৰ হিচাপ মতে এই সংখ্যা হৈছিল ১০.৫ মিলিয়ন। ম'বাইল টেলিফোনৰ কাৰ্যকলাপ ইয়াৰ ১৯৯৪ চনৰ নতুন দূৰসংযোগ

নীতি (New Telecom Policy) ৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। তথাপিও ম'বাইল ছেটবোৰৰ যথেষ্ট দাম তথা মাছুলৰ নিৰিখ অধিক উচ্চ হাৰত হোৱাৰ বাবে প্ৰথম অৱস্থাত এই শিল্পই খৰতকীয়া গতিত আগবঢ়া নাছিল। আকৌ ১৯৯৯ চনত প্ৰবৰ্তন কৰা নতুন নীতিয়ে (New Telecom Policy 1999) ম'বাইল গ্ৰাহক সকলক উদগনি দিছিল। সেইদৰে ২০০৩ চনত দেশত ম'বাইল গ্ৰাহকৰ সংখ্যা ১৬ মিলিয়ন, ২০০৪ চনত ২২ মিলিয়ন আৰু ২০০৫ চনৰ ৩২ মিলিয়ন হয়গৈ । ২০০৬ চনত চেপ্তেম্বৰ মাহৰ হিচাপ মতে ১২৩.৪৪ মিলিয়ন গ্ৰাহকলৈ মোবাইল সংযোগ থকা ভাৰতত্কৈ আগত বিশ্বত মাত্ৰ আৰু তিনিখনহে দেশ আছে। সেইয়া হৈছে চীন দেশত ৪০৮ মিলিয়ন, যুক্তৰাষ্ট্ৰত ১৭০ মিলিয়ন আৰু ৰাচিয়াত ১৩০ মিলিয়ন।

**বন্ধনী ৬.৭**

ৰাষ্ট্ৰপতি কালামলৈ ছাত্ৰ- ছাত্ৰীৰ প্ৰতিবাদী চিঠি (Students send protest letter to Kalam)

NDTV ৰ এখন প্ৰদৰ্শনী মেলাত এখন বিশ্ববিদ্যালয়ৰ এজন উপাচাৰ্যৰ মন্তব্যত ছাত্ৰ-ছাত্ৰীসকলৰ সৰৱ প্ৰতিবাদ ...............

ছাত্ৰ-ছাত্ৰী সকলৰ বাবে চিহ্নযুক্ত পোছাক আৰু চে'ল'ফোন নিষিদ্ধকৰণৰ সিদ্ধান্তটো উপাচাৰ্যই সমৰ্থন কৰি কৈছিল যে ছাত্ৰ-ছাত্ৰী সকলে এনে সিদ্ধান্তক আদৰণি জনাইছে। কিন্তু ছাত্ৰ-ছাত্ৰী সকলে সেই নিষিদ্ধকৰণত আপত্তি কৰিছিল। তেওঁলোকে সংগঠিত ৰূপত প্ৰতিবাদ কৰি ৰাষ্ট্ৰপতি (A.P.J. Abdul Kalam) লৈ লিখিছিল আৰু ৰাষ্ট্ৰপতিয়ে এই বিষয়ত হস্তক্ষেপ কৰাতো বিচাৰিছিল। (**Source:** http:WWW. ndtv.com Thursday, January 19,2006, Chennai)

**বন্ধনী ৬.৫,৬.৬ আৰু ৬.৭ ৰ অনুশীলনী**

- ওপৰৰ তিনিটা বন্ধনী ৰ কথাখিনি মনোযোগেৰে পঢ়া।
- চে'ল'ফোন ব্যৱহাৰৰ উল্লেখনীয় অগ্ৰগতিৰ বিষয়ে তোমালোকে কি ধাৰণা ল'ব খোজা?
- চে'ল'ফোনবোৰৰ ব্যৱহাৰ তথা গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত কিবা পৰিবৰ্তন তোমালোকে মন কৰানে?

**ক্ৰিয়াকলাপ ৬.৫**



১৯৮০ চনৰ শেষৰ ফালে চেল'ফোনবোৰক সন্দেহৰ চকুৰে চোৱা হৈছিল (দুস্কৃতিকাৰীয়ে ব্যৱহাৰ কৰাৰ বাবে)। আকৌ ১৯৯৮ চনৰ শেষভাগত এইবোৰৰ ব্যৱহাৰক বিলাসী সামগ্ৰী ৰূপে গণ্য কৰা হ'ল (কেৱল ধনী শ্ৰেণীৰ মানুহৰ বাবেহে চে'ল'ফোনৰ প্ৰয়োজন আৰু সেয়েহে ইয়াৰ ওপৰত কৰৰ ব্যৱস্থা থাকিব)।

২০০৬ চনৰ লগে লগে চে'ল'ফোনৰ ব্যৱহাৰৰ দিশেৰে আমাৰ দেশে বিশ্বৰ চতুৰ্থ বৃহৎ দেশৰূপে স্বীকৃতি পালে। এইবোৰ দৈনন্দিন জীৱনত ইমানেই এৰাব নোৱাৰা হৈ পৰিল যে চে'ল'ফোনৰ ব্যৱহাৰ মহাবিদ্যালয়ত নিষিদ্ধ কৰাৰ বিবেচনাৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীয়ে আন্দোলন কৰে আৰু ৰাষ্ট্ৰপতিলৈ আবেদন কৰিবলৈ সাজু হৈ থাকে।

তোমালোকৰ শ্ৰেণীত এটা আলোচনা আয়োজন কৰা আৰু ভাৰতত চে'ল'ফোনৰ ব্যৱহাৰৰ ইমান বিস্ময়ক অগ্ৰগতিৰ কাৰণবোৰ সেই আলোচনাৰ বিষয়ৰূপে লোৱা।

- ➢ প্ৰচাৰ মাধ্যম তথা বজাৰৰ চতুৰ কৌশলৰ বাবেই এইয়া সম্ভৱ হৈ উঠিছে নেকি? চে'ল'ফোনবোৰ মানুহৰ প্ৰস্থিতি চিহ্ন নেকি?
- ➢ নতুবা, অনবৰতে সম্পৰ্ক ৰক্ষা (connected) কৰি থকাতো আৰু আত্মীয়জনৰ লগত যোগাযোগ ৰখাতো অতি জৰুৰী নেকি?
- ➢ নিজৰ লৰা-ছোৱালীবোৰ ক'ত আছে বা কেনেকৈ আছে সেই উৎকণ্ঠা লাঘৱ কৰিবলৈকে পিতৃ-মাতৃয়ে চে'ল'ফোনৰ ব্যৱহাৰক উদগনি জনায় নেকি?
- ➢ যুৱক-যুৱতী সকলে চে'ল'ফোনৰ প্ৰতি প্ৰবল ধাউতি জন্মাৰ বিভিন্ন কাৰণবোৰ উদঘাটন কৰা।

## গোলকীকৰণ আৰু শ্ৰম (Globalisation and Labour)

গোলকীকৰণ আৰু নতুন আন্তঃৰ্জাতিক শ্ৰম বিভাজন (Globalisation and a new International Division of Labour)

তৃতীয় বিশ্বৰ মহানগৰসমূহত ক্ৰমবৰ্ধমান হাৰত নিৰ্ধাৰিত ক্ৰমত উৎপাদন আৰু নিযুক্তি দিয়া এক নতুন শ্ৰম বিভাজনৰ উদ্ভাৱ হৈছে। তোমালোকে ইতিমধ্যে পঞ্চম অধ্যায়ত outsourcing আৰু চতুৰ্থ অধ্যায়ত ঠিকাভিত্তিক কৃষিকৰ্মৰ বিষয়ে পাই আহিছা। এই প্ৰসঙ্গত আমি মাত্ৰ নাইকি কোম্পানী (Nike Company) ৰ উদাহৰণ আগত ৰাখি



সেইবোৰে কেনেকৈ কাম কৰি থাকে তাৰ বিষয়ে আলোচনা কৰিম। ১৯৬০ চনতে প্ৰতিষ্ঠা হোৱা নাইকি কোম্পানীয়ে আৰম্ভণিৰ পৰাই প্ৰকৃত ৰূপত ইয়াৰ কাম-কাজ চলাই আহিছিল। প্ৰধানকৈ ই এটা জোতা আমদানি কৰা কোম্পানী। ইয়াৰ প্ৰতিষ্ঠাপক Phil Knight এ জাপানৰ পৰা জোতা আমদানি কৰি সেইবোৰ ক্ৰীড়া বিষয়ক সভাবোৰত বিক্ৰী কৰিছিল। লাহে লাহে কোম্পানীটোৱে বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠান ৰূপে গা-কৰি বিভিন্ন ৰাষ্ট্ৰত ইয়াৰ কাম কাজৰ সম্প্ৰসাৰণ কৰি তোলে। ইয়াৰ প্ৰধান কাৰ্যালয় হৈছে অৰিগন চহৰৰ পৰ্টলেণ্ডৰ ঠিক উপকণ্ঠ বেভাৰটন নগৰত। আমেৰিকাৰ কেৱল দুটা কাৰখানাই নাইকি কোম্পানীৰ বাবে জোতা তৈয়াৰ কৰে। ১৯৬০ জোতাবোৰ জাপানত উৎপাদন কৰা হৈছিল। জোতাবোৰৰ মূল্য বাঢ়ি যোৱাৰ লগে লগে ১৯৭০ চনৰ মাজভাগত ইয়াৰ উৎপাদন কাৰ্য দক্ষিণ কোৰিয়ালৈ উঠাই নিয়া হয়। লাহে লাহে শ্ৰমৰ মূল্য দক্ষিণ কোৰিয়াত বাঢ়ি যাবলৈ ধৰে, আৰু সেইবাবে ইয়াৰ উৎপাদনো বৃদ্ধি কৰি ইয়াক কালক্ৰমত থাইলেণ্ড আৰু ইন্দোনেচিয়ালৈ সম্প্ৰসাৰণ কৰে। ১৯৯০ চনত আমাৰ ভাৰততো নাইকি ৰ সামগ্ৰী ওলাবলৈ আৰম্ভ কৰে।

যি কি নহওক য'তেই কম ব্যয়ত শ্ৰমিক পোৱা যায়, উৎপাদনৰ কেন্দ্ৰবোৰো সেইদৰে এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰা হয়। এই গোটেই প্ৰক্ৰিয়াটোৱে শ্ৰমিক লোকসকলক একপ্ৰকাৰে সহজে ঢুকি পোৱা তথা অসুৰক্ষিত অৱস্থা এটালৈ লৈ যায়। শ্ৰমিক সকল সহজে বশীভূত হৈ পৰিব লগা হয় আৰু মালিকৰ স্বাৰ্থত কাম কৰি যায়। বৃহৎ পৰিমাণৰ বয়-বস্তু উৎপাদন কেৱল একে ঠাইতে কেন্দ্ৰীভূত হোৱা পদ্ধতিবোৰৰ (Fordism) পৰিবৰ্তে আজি আমি উৎপাদনৰ কেন্দ্ৰবোৰে বিভিন্ন ঠাইত অৱস্থান লোৱা এক সুকীয়া নমনীয় ব্যৱস্থা দেখা পাইছো (Post Fordism)।

**বন্ধনী ৬.৮**

আপাতদৃষ্টিত General Motors কোম্পানীয়ে Pontiac Le Mans নামৰ আমেৰিকান গাড়ী উৎপাদন কৰে। প্ৰদৰ্শনী কক্ষত একোখন গাড়ীৰ মূল্য ২০,০০০ পাউণ্ড। কিন্তু এই মূল্যৰ অকল ৭,৬০০ পাউণ্ডহে আমেৰিকাবাসীৰ হাতত পৰে। এই সকলৰ ভিতৰত আছে - ড্ৰেট্ৰয়টত শ্ৰমিক আৰু কৰ্তৃপক্ষ, নিউইয়ৰ্কত থকা বেংক কৰ্মকৰ্তা আৰু উকীলসকল, ৱাচিংটনত ক্ষমতাক প্ৰভাৱান্বিত কৰিব পৰা এচাম লোক (lobbyists) আৰু সমগ্ৰ আমেৰিকাত General Motors ৰ অংশীদাৰ সকল।

**ধনৰ বাকী অংশৰ**

- ৪৮ শতাংশ যায় দক্ষিণ কোৰিয়াৰ শ্ৰমিক আৰু তেওঁলোকৰ দলবোৰলৈ।
- ২৮ শতাংশ যায় জাপানলৈ সেইদেশৰ পৰা আগতীয়াকৈ ইঞ্জিন আৰু ইলেক্ট্ৰনিক সামগ্ৰী ক্ৰয় কৰাৰ বাবে।
- ১২ শতাংশ যায় জাৰ্মেনীলৈ ইঞ্জিনিয়াৰিঙৰ ডিজাইন আৰু ষ্টাইল আৰ্হিৰ বাবে।
- ৭ শতাংশ যায় টাইৱান আৰু চিংগাপুৰলৈ কিছুমান সৰু-সুৰা যন্ত্ৰপাতিৰ বাবে।
- ৪ শতাংশ বিপণনৰ বাবে যায় ব্ৰিটেইনলৈ, আৰু
- প্ৰায় ১ শতাংশ বাৰ্বাডোজ নাইবা আয়াৰলেণ্ডলৈ কোম্পানীৰ তথ্য প্ৰক্ৰিয়াকৰণৰ বাবদ।

**বন্ধনী ৬.৯**

অধিক সংখ্যক দুখীয়া মানুহ দক্ষিণ এচিয়াতে আছে। ২০০৫ চনৰ ILO ৰ প্ৰতিবেদন "Labour and Social Trends in Asia and the Pacific 2005" ৰ মতে ভাৰত, নেপাল আৰু বাংলাদেশত দৰিদ্ৰতাৰ হাৰ বেছি। এই প্ৰতিবেদনতখনত এচিয়া মহাদেশত ক্ৰমাৎ বৃদ্ধি হৈ অহা নিয়োগ ব্যৱধান (employment gap) ৰ এক সম্পূৰ্ণ বিশ্লেষণ দাঙি ধৰিছে। ইয়াত প্ৰকাশ পোৱা মতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশৰ অনুপাতে নতুন সংস্থান বা চাকৰি সৃষ্টিৰ ক্ষেত্ৰত বিফলতা পৰিলক্ষিত হৈছে। ২০০৩-২০০৪ চনৰ সময়ছোৱাত এচিয়া আৰু প্ৰশান্ত মহাসাগৰীয় দেশবোৰত নিয়োগৰ গতি হতাশাজনক অৰ্থাৎ ১৬ শতাংশ বৃদ্ধি হৈছে। অথবা তুলনামূলক ভাৱে ৭শতাংশ হাৰৰ অৰ্থনৈতিক বিকাশৰ বিপৰীতে মুঠ ১৫৮৮ বিলিয়ন চাকৰিৰ ঠাইত ২৫ বিলিয়ন চাকৰিৰ সৃষ্টি হৈছে।

'Job Growth Remains Disappointing, ILO' Labour File September-October 2005,P. 54.

## গোলকীকৰণ আৰু সংস্থাপন (Globalisation and Employment)

গোলকীকৰণ প্ৰক্ৰিয়াৰ লগত সাঙোৰ খাই থকা আন এটা প্ৰধান বিষয় হৈছে গোলকীকৰণ আৰু নিয়োগ ব্যৱস্থাৰ সম্পৰ্কবোৰ। এই ক্ষেত্ৰত আমি গোলকীকৰণ প্ৰক্ৰিয়াৰ অনিয়মীয়া প্ৰভাৱখিনিহে দেখিবলৈ পাওঁ। নগৰীয়া মধ্যবিত্ত যুৱক-যুৱতী সকলৰ বাবে গোলকীকৰণ আৰু তথ্য প্ৰযুক্তি বিপ্লৱে তেওঁলোকৰ জীৱনত বৃত্তি লাভৰ নতুন পথ মুকলি কৰিলে। মহাবিদ্যালয়ত ভৰ্ত্তি হৈ সচৰাচৰ বি. এ., বি.এছ. চি বা বি.কম. ডিগ্ৰী লোৱাৰ পৰিবৰ্তে তেওঁলোকে কম্পিউটাৰ প্ৰতিষ্ঠানবোৰৰ পৰা কম্পিউটাৰ শিক্ষা লয় আৰু Call centers বা Business Process Outsourcing (BPO) কোম্পানীবোৰত কৰ্ম সংস্থাপন লয়। বিভিন্ন শ্বপিং মল (Shopping mall) বোৰত তেওঁলোকে বিক্ৰেতা হিচাপে নাইবা হোটেল আৰু ৰেষ্টোৰেন্টবোৰতো সংস্থাপন যোগাৰ কৰি লয়। তথাপিও ৬.৯ বন্ধনীৰ ভিতৰত দেখুওৱা কথাখিনিয়ে বহুল ভিত্তিত নিয়োগৰ ছৱিখন হতাশজনকৰূপেহে অংকিত কৰে।

## গোলকীকৰণ আৰু ৰাজনৈতিক পৰিৱৰ্তন (Globalisation and Political Changes)

ভালেমান দিশৰ পৰা চালে গোলকীকৰণে ৰাজনৈতিক পৰিৱৰ্তন সাধন কৰাত বহুত সহায় কৰিলে অৰ্থাৎ আগৰকালৰ সমাজবাদী শাসনৰ অন্ত পৰিল। ইয়াৰ ঠাইত গোলকীকৰণৰ লগত অন্তৰ্নিহিত হৈ থকা ৰাজনৈতিক আৰু অৰ্থনৈতিক নতুন পথৰ সন্ধান পোৱা গ'ল। এই পৰিৱৰ্তনবোৰক বহু সময়ত অৰ্থনৈতিক নৱ উদাৰীকৰণ (neo liberal) ৰ প্ৰচেষ্টা বুলিও অভিহিত কৰা হয়। ভাৰতবৰ্ষত এনেধৰণৰ নৱ উদাৰীকৰণৰ সক্ৰিয় ভূমিকাৰ কথা আমি আগতে আলোচনা কৰি আহিছো। ক'বলৈ গ'লে এইবোৰে মুক্ত বজাৰ তথা প্ৰতিষ্ঠানবোৰক আগবঢ়াই নিয়াৰ একোটা ৰাজনৈতিক দৃষ্টিভঙ্গী। গতিকে বৰ্তমানৰ গোলকীকৰণ প্ৰক্ৰিয়াই অথনৈতিক দৃষ্টিভঙ্গীৰ লগতে ৰাজনৈতিকভাৱেও ইয়াৰ দৃষ্টিভঙ্গী আগবঢ়াই নিছে। যি কি নহওক বৰ্তমান অৱস্থাত যি গোলকীকৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে, তাৰ বিকল্পৰ সম্ভৱনাও নথকা নহয়। সেইবাবে আমি সামগ্ৰিক গোলকীকৰণ (inclusive globalisation) ৰ অৱধাৰণাৰ বিষয়েও অৱগত হওঁ যাৰ অৰ্থ সমাজৰ সকলো শ্ৰেণীৰ মানুহক অন্তৰ্ভুক্ত কৰাটো বুজায়।

গোলকীকৰণৰ লগত ৰাজনৈতিক আন আন গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াও জড়িত হৈ থাকে। ৰাজনৈতিক দিশত একেলগে কাম কৰিবৰ বাবে আন্তঃৰাষ্ট্ৰীয় বা আঞ্চলিক পৰ্যায়ত গঢ়ি উঠা যন্ত্ৰ ক্ৰিয়া বিধিবোৰ (mechanism) উল্লেখযোগ্য। ইউৰোপীয় সংঘ (The European Union EU), দক্ষিণ পূৰ্ব এচিয়াৰ ৰাষ্ট্ৰসমূহৰ সংস্থা (The Association of South East Asian Nations, ASEAN), দক্ষিণ এচীয় আঞ্চলিক অধিবেশন (South Asian Regional Conference (SARC) আৰু অলপতে গঢ়ি উঠা দক্ষিণ এচীয় বাণিজ্যিক সংস্থা সন্মিলিত সংঘ (South Asian Federation of Trade Association, SAFTA) আদি সংস্থাবোৰ বহু ক্ষেত্ৰত উল্লেখযোগ্য। আঞ্চলিক পৰ্যায়ত অধিক সক্ৰিয়ভাৱে ভূমিকা পালন কৰাত এই সংগঠনবোৰৰ ভূমিকা বিশেষভৱে উল্লেখযোগ্য।

গোলকীকৰণৰ ৰাজনৈতিক দিশ আলোচনা কৰোতে আমি ৰাজনৈতিক অন্যান্য সংগঠনবোৰৰ কথাও বিবেচনা কৰিব পাৰো। আন্তঃৰাষ্ট্ৰীয় চৰকাৰী সংগঠন (International Governmental Organisations, IGO) তথা আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী সংগঠন (International Non-Governmental Organisations INGO) আদিৰ উত্থানে বিশেষ ভূমিকা গ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় চৰকাৰী সংগঠনবোৰ হৈছে একো একোটা নিকায় (body) যিবোৰৰ জৰিয়তে ৰাষ্ট্ৰবোৰে আন্তঃৰ্জাতিক পৰ্যায়ত সহযোগিতা নিশ্চিত কৰে আৰু বহুৰাষ্ট্ৰিক আগুৰিব পৰা বিশেষ কাৰ্য আঁচনিবোৰ চোৱা- চিতা কৰে। উদাহৰণ স্বৰূপে বিশ্ব বাণিজ্যিক সংস্থা (World Trade Oraganisation, WTO) ৰ নিচিনা সংস্থাটোৱে বিশ্বৰ বাণিজ্যিৰ নীতিৰ বিষয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰি থাকে।

আন্তঃৰাষ্ট্ৰীয় বেচাৰকাৰী সংগঠন (INGO) ৰ নামটোৱেই সূচায় যে সেইবোৰ চৰকাৰী অনুষ্ঠানবোৰৰ পৰা পৃথক। আনহাতে এইবোৰে স্বতন্ত্ৰ সংগঠনৰ দৰে, স্বতন্ত্ৰভাৱে নীতি নিৰ্দেশনা তথা সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰিও কেতবোৰ আন্তঃৰ্জাতিক বিষয়ৰ (issues) ওপৰতো দৃষ্টি নিক্ষেপ কৰে। বহুল ভাৱে জনাজাত এনেধৰণৰ কেইটামান সংগঠন হৈছে 'Greenpeace' ( অষ্টম অধ্যায় চোৱা) ৰেডক্ৰচ আৰু এমনেষ্টি ইন্টাৰনেচনেল (The Red Cross and Amnesty International), মেডিচিন চানচ্ ফ্ৰন্টিয়াৰচ (Medicines Sans Frontiers) অৰ্থাৎ সীমাৰে আৱৰি ৰাখিব নোৱাৰা চিকিৎসক সংস্থা) আদি। এনেধৰণৰ সংগঠনবোৰৰ তথ্য তোমালোকে আৰু অধিক সংগ্ৰহ কৰা।

## গোলকীকৰণ আৰু সংস্কৃতি (Globalisation and Culture)

গোলকীকৰণ প্ৰক্ৰিয়াই সংস্কৃতিক বহু ধৰণে চুই গৈছে। আমি আগতেও আলোচনা কৰি আহিছো যে যুগ যুগ ভাৰতীয় সংস্কৃতিৰ মনোভাৱ উদাৰ আছিল আৰু এই গুণৰ বাবেই ভাৰতীয় সংস্কৃতিয়ে ক্ৰমাগতৰূপত চহকী সংস্কৃতিৰূপে পৰিগণিত হৈ আহিছে। যোৱা দশকত সাংস্কৃতিক জগতখনত লেখত ল'বলগীয়া পৰিবৰ্তন আমি দেখা পাইছো যাৰ ফলস্বৰূপে অনেক সময়ত স্থানীয় সংস্কৃতি (local culture) ক গ্ৰাস কৰাৰ সন্দেহ হৈছিল। আগতে উল্লেখ কৰা "নাদৰ ভেকুলীৰ আখ্যানটোৱে" আমাক এই কথা সোঁৱৰাই দিয়ে যে চাৰিবেৰৰ মাজত থাকি ব্যহ্যিক জগতখনলৈ আমাৰ ভয় আৰু সন্দেহ অনবৰতে আছে। সৌভাগ্যবশতঃ আজিৰ যুগত আমি আমাৰ 'পৰম্পৰাৰ মুকলি মন' লাভ কৰিছোঁহক। এই ভাৱধাৰা আগত ৰাখিয়েই আজি আমি কেৱল ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়বোৰতে যুক্তিৰ অৱতাৰণা কৰাই নহয়, বৰঞ্চ আমাৰ দৈনন্দিন ব্যৱহৃত সাজ-পোছাক, সঙ্গীত চৰ্চা, বোলছবি উপভোগ, ভাষাজ্ঞান আয়ত্ব কৰা তথা দৈহিক ভঙ্গীমা (body language) আদিৰ বিষয়ে সজোৰে যুক্তি আগবঢ়াওঁ। প্ৰথম আৰু দ্বিতীয় অধ্যায়ত আলোচনা কৰা ১৯ শতিকাৰ সমাজ সংস্কাৰকসকলে আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে আগবঢ়োৱা যুক্তিবোৰ চোঁৱা। এই বিষয়বোৰ আজিৰ যুগতো কিছুমান একে আৰু কিছুমান অলপ বেলেগ। এই বেলেগখিনিয়েই হৈছে পৰিবৰ্তনৰ মাপকাঠী আৰু পৰিবৰ্তনৰ গভীৰতা।

## সমজাতীয়কৰণ বনাম সংস্কৃতিৰ বিশ্বস্থানীয়কৰণ (Homogenisation Versus Glocalisation of Culture)

যুক্তিপূৰ্ণ বিবেচনাৰে আগবঢ়োৱা এটা প্ৰধান মত হৈছে সকলো সংস্কৃতিয়ে সমান অৰ্থাৎ সমজাতীয়ভাৱাপন্ন (Homogeneous)। আন কিছুমানে ক'ব খোজে যে সংস্কৃতি ক্ৰমাগতভাৱে বিশ্বস্থানীয় ভাৱেহে (Glocalisation) আগবাঢ়িছে। বিশ্বস্থানীয় ভাৱৰ

অৰ্থ হৈছে বিশ্বায়নৰ মনোভাৱ আৰু স্থানীয় মনোভাৱ একেলগে হোৱাতো। এই প্ৰক্ৰিয়া স্বতঃস্ফুৰ্তভাৱে আগ নাবাঢ়ে, নতুবা ই গোলকীকৰণৰ বাণিজ্যিক দিশটোৰ পৰাও আঁতৰত নাথাকে।

বিদেশী প্ৰতিষ্ঠানবোৰে প্ৰায়ে এনেধৰণৰ কৌশল অৱলম্বন কৰা দেখা যায়। স্থানীয় পৰম্পৰাবোৰ যেতিয়া বাণিজ্যিক দিশত ফুটাই তুলিবলৈ আঁচনি লয় তেতিয়া সেই প্ৰতিষ্ঠানবোৰে এনেধৰণৰ কৌশল হাতত লয়। ভাৰততো আমি কিছুমান বিদেশী চেনেল যেনে- Star TV, MTV এ ভাৰতীয় ভাষাত কাৰ্যসূচী সম্প্ৰচাৰণ কৰে। আনকি MoDonald এ ভাৰতত নিৰামিষ আৰু মূৰ্গী মাংসৰ তৈয়াৰী খাদ্য সম্ভাৰ বিক্ৰী কৰে, কিন্তু বিদেশত জনপ্ৰিয় হোৱা গৰু মাংস আদি বিক্ৰী নকৰে। আৰু সেইদৰে এই কোম্পানীয়ে ভাৰতত নৱৰাত্ৰি উৎসৱৰ সময়ছোৱাত নিৰামিষ ভোজী হৈ থাকে। সংগীতৰ জগতখনলৈ চালেও দেখা যায় যে ভাংড়া নৃত্য, ইন্দি পপ, ফিউজন মিউজিক, ৰিমি'ক্স আদি গীতমাতবোৰ অধিক জনপ্ৰিয় হৈ উঠিছে।

**ক্ৰিয়াকলাপ ৬.৬**

➤ বিশ্বস্থানীয়কৰণৰ আন কিছুমান উদাহৰণ বিচাৰি উলিওৱা আৰু আলোচনা কৰা।

➤ তোমালোকে বলিউডৰ বোলছবিবোৰত শেহতীয়াকৈ কিবা পৰিবৰ্তন দেখা পাইছা নেকি? এটা সময় আছিল যেতিয়া বোলছবিবোৰৰ দৃশ্য গ্ৰহণ বিদেশত হৈছিল, কিন্তু কাহিনীভাগ আমাৰ দেশৰ থলুৱা। পিচলৈ ছবিৰ কাহিনী এনেদৰে তৈয়াৰ কৰা হৈছিল য'ত কাহিনীৰ কিছু অংশ বিদেশৰপৰা লৈ চৰিত্ৰবোৰ ভাৰতীয় হিচাপে ৰূপ দিয়া হয়। বৰ্তমানত ছবিৰ কাহিনীবোৰ সম্পূৰ্ণ ভাৰতৰ বাহিৰৰ পৰাই লোৱা হয়। আলোচনা কৰা।

গতিকে আমি দেখা পাইছো যে কেনেকৈ ভাৰতীয় সংস্কৃতিয়ে উদাৰ বা মুক্ত পথ অৱলম্বন কৰি আহিছে। সংস্কৃতি কেতিয়াও স্থবিৰ বা অপৰিৱৰ্তনীয় হ'ব নোৱাৰে, বা ইয়াৰ মৃত্যুও হ'ব নোৱাৰে, অথবা সামাজিক পৰিৱৰ্তনৰ মুখামুখিৰ বেলিকা ই কেতিয়াও নীৰবে স্থিৰ হৈ থাকিব নোৱাৰে। এই ক্ষেত্ৰত মন কৰিব লগা কথাটো হৈছে গোলকীকৰণে পৰম্পৰাক কেৱল নতুনকৈ সৃষ্টি কৰাই নহয়, ই পৰম্পৰাক বিশ্বজনীন ৰূপত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসো কৰে।

## লিংগ আৰু সংস্কৃতি (Gender and Culture)

সাংস্কৃতিক পৰিচয় অথবা এয়া আমাৰ পৰম্পৰাগত সংস্কৃতি বুলি খামোচ মাৰি ধৰি থকা লোক আমাৰ সমাজত আছে। এনে পৰম্পৰাগত ভাৱধাৰাৰ ৰক্ষক হিচাপে সেইসকল লোকে সাংস্কৃতিক পৰিচয়ৰ নামত সমাজৰ মহিলাসকলৰ বিৰুদ্ধে জনসাধাৰণৰ অগণতান্ত্ৰিক আৰু বৈষম্যমূলক আচৰণো প্ৰদৰ্শন কৰি থাকে। প্ৰাচীন কালৰ সতীদাহ

প্ৰথাৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান যুগৰ নাৰী শিক্ষা আৰু ৰাজহুৱা কাম-কাজত অংশ লোৱালৈকে সকলোতে এনেলোকে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি থাকে। গোলকীকৰণে সেইবাবে মহিলাৰ প্ৰতি কৰা অবিবেচক কাৰ্যকলাপৰ বিৰুদ্ধে মাত মতাৰ দৈত্যৰূপী ভূমিকা পালন কৰিব পাৰে। সৌভাগ্য ক্ৰমে, আজি ভাৰতত আমি এনে এক গণতান্ত্ৰিক পৰম্পৰা আৰু সংস্কৃতিৰ অধিকাৰী হৈছো যাৰ সহায়ত সংস্কৃতিৰ এক নতুন মূল্যবোধ বিচাৰি পাইছো।


### উপভোগৰ সংস্কৃতি (Culture of consumption)

সাধাৰণ অৰ্থত সংস্কৃতি মানে আমি সাজ- পোছাক, গীত-মাত বা বাদ্যযন্ত্ৰ, নৃত্য তথা খাদ্যাভাসৰ কথাকে সূচাওঁ। যি কি নহওক সংস্কৃতি বুলি ক'লে মানুহৰ সামগ্ৰিক জীৱন প্ৰণালীকে বুজোৱা হয়। আমাৰ সমাজত গোলকীকৰণৰ কথা আলোচনা কৰোতে ব্যৱহাৰিক দিশেৰে সংস্কৃতিক প্ৰধানকৈ দুটা ভাগত উল্লেখ কৰা হয়। সেয়া হৈছে উপভোগৰ সংস্কৃতি (culture of consumption) আৰু সংঘবদ্ধ সংস্কৃতি (corporate culture)। নগৰ চহৰবোৰৰ বৃদ্ধিৰ লগে লগে গোলকীকৰণৰ ভূমিকালৈ মন কৰিলেই উপভোগৰ সংস্কৃতিৰ বিষয়ে বুজিব পাৰি। ১৯৭০ চনলৈকে উৎপাদনৰ লগত জড়িত হৈ পৰা উদ্যোগবোৰে নগৰ গঠনত লেখত ল'ব লগীয়া ভূমিকা পালন কৰি আহিছিল। বৰ্তমান সময়ত উপভোগৰ সংস্কৃতিয়ে (সাহিত্য, কলা, খাদ্যভাস, ফেছন, নৃত্য গীত, পৰ্যটন আদি) নগৰ-চহৰবোৰৰ সৃষ্টিত আৰু অধিক ইন্ধন যোগাইছে। ভাৰতৰ প্ৰতিখন চহৰতেই প্ৰকাণ্ডৰূপত গঢ়ি উঠা ছপিং মলবোৰ, মাল্টিপ্লেক্স, চিনেমা হলবোৰ, অৱসৰ বিনোদনৰ উদ্যান তথা জলজগত (water world) বোৰে ইয়াৰেই সাক্ষী বহন কৰে। তাতোকৈ গুৰুত্বপূৰ্ণ হৈছে বিজ্ঞাপন আৰু প্ৰচাৰ মাধ্যমবোৰে এইবোৰৰ বিষয়ে সজোৰে

**ক্ৰিয়াকলাপ ৬.৭**

- তথাকথিত পুৰণি দোকান বজাৰবোৰৰ সৈতে আজিকালি গঢ়ি উঠা বিভাগীয় দোকানবোৰৰ লগত তুলনা কৰা।
- তথাকথিত পুৰণি দোকানবোৰৰ সৈতে আজিকালিৰ মল (mall) বোৰ তুলনা কৰা। এই মলবোৰ যে কেৱল সামগ্ৰী গোটাই ৰখা গুদাম ঘৰেই নহয়, ইয়াত বজাৰ কৰা অৰ্থ সুকীয়া- আলোচনা কৰা।
- হোটেল বা তেনে কোনো খোৱা-লোৱা কৰা ঠাইবোৰত আজিকালি কেনেধৰণৰ নতুন খাদ্য - সম্ভাৰ যোগান ধৰে আলোচনা কৰা।
- আজিকালি 'ফাষ্ট ফুড' হোটেলবোৰৰ কাৰ্যকলাপবোৰৰ বিশ্বমানৰ (global) গুণবোৰ বিচাৰ কৰা।

কৰা ঘোষণা যাৰ ফলত মানুহে ব্যয়ক (spending) একোটা সংস্কৃতি ৰূপেই গণ্য কৰা হ'ল। টকা-পইচাৰ প্ৰতি সচেতন হৈ থকাতো উচিত বুলি মানুহে বিবেচনা নকৰা হ'ল। বজাৰ কৰা বা বজাৰ কৰি ভালপোৱা (shopping) কামক অৱসৰৰ সময় কটোৱাৰ ৰূপত অধিক মনোযোগ দিয়া হ'ল। ' মিচ ইউনিৰ্ভাচ' আৰু 'মিচ ৱৰ্ল্ড' ৰ নিচিনা ফেছনৰ আড়ম্বৰপূৰ্ণ অনুষ্ঠানবোৰৰ যোগেদি সাজ-সজ্জাৰ দিশবোৰক ক্ৰমাগতভাৱে সাফল্যমণ্ডিত কৰি তুলিলে আৰু সেইবোৰে ফেছন শিল্প, প্ৰসাধন সামগ্ৰী আৰু স্বাস্থ্য সম্পৰ্কীয় শিল্পবোৰ গঢ়ি উঠাত উল্লেখযোগ্য বৰঙণি যোগাইছে।



## সংঘবদ্ধ সংস্কৃতি (Corporate Culture)

সংঘবদ্ধ সংস্কৃতি হৈছে ব্যৱস্থাপনা সূত্ৰৰ (management theory) এটা শাখা স্বৰূপ। কোনো এটা প্ৰতিষ্ঠানৰ সকলো সদস্যকে জড়িত কৰি সংঘবদ্ধ ভাৱে সেই প্ৰতিষ্ঠানৰ উৎপাদন আৰু প্ৰতিযোগী মনোভাৱ গঢ়ি তুলিবলৈ এনেধৰণৰ সংস্কৃতি গঢ় লৈ উঠে। এইবোৰ গতিশীল সংস্কৃতি। কোম্পানীবোৰৰ বিভিন্ন ঘটনা, দৈনন্দিন কামকাজ আৰু পৰম্পৰাক গতিশীল সংস্কৃতিৰে আগবঢ়াই নি ইয়াৰ কৰ্মীসকলৰ মাজত ঐক্য বৃদ্ধি কৰাটোৰেই এই সংস্কৃতিৰ মূল উদ্দেশ্য। কাম কৰাৰ আৰ্হি শিক্ষা তথা উৎপাদিত সামগ্ৰীবোৰৰ গুণাগুণ আগুৱাই নিয়া সামগ্ৰীবোৰৰ ব্যৱসায়ী চুক্তিৰ আধাৰত গোট গোট কৰা আদি কামবোৰ সংঘবদ্ধ সংস্কৃতিৰ ভিতৰতে ধৰা হয়।

**ক্ৰিয়াকালপ ৬.৮**

ৰাজনৈতিক দলসমূহে ৰাজনৈতিক প্ৰচাৰ কাৰ্যৰ বাবে নিগমবোৰৰ সহায়-সহযোগিতা বিচৰা কথাটো যোৱা কিছুবছৰ ধৰি চলি আহিছে। বিজ্ঞাপন প্ৰতিষ্ঠান সমূহক্পৰাও এই বিষয়ক দিহা-পৰামৰ্শ লৈছিল। এনেধৰণৰ প্ৰৱণতাৰ বিষয়ে অধিক খবৰ সংগ্ৰহ কৰা আৰু আলোচনা কৰা।

বহুজাতিক (multinational) কোম্পানী-বোৰৰ বিস্তৃতি আৰু তথ্য প্ৰযুক্তিবিদ্যাৰ বিপ্লৱে আনি দিয়া সুযোগ-সুবিধাবোৰে ভাৰতৰ মহানগৰবোৰত বহু নতুনত্ব আনিলে। এই নতুনত্ববোৰৰ ভিতৰত আমাৰ নগৰ-মহানগৰবোৰত উৰ্দ্ধমুখী চলন্ত পেছাদাৰীৰ সৃষ্টি কৰিছে। এই পেছাদাৰী সকল হৈছে চফ্‌টৱেৰ প্ৰতিষ্ঠান,বহুজাতিক বেংক, ষ্টক বজাৰ, চাৰ্টাৰ্ড একাউটেন্সি ফাৰ্ম, অংশ-বিনিময়-কেন্দ্ৰ (stock market),পৰ্যটন বিভাগ, ফেছন ডিজাইনিং, আমোদ প্ৰমোদৰ কেন্দ্ৰ, গণ মাধ্যম ইত্যাদি ক্ষেত্ৰসমহত কৰ্মৰত ব্যক্তিবিশেষ। এই উচ্চ স্তৰৰ পেছাদাৰী সকলৰ কৰ্মসূচী অতি গুৰুত্বপূৰ্ণ আৰু দৰ্মহাও অত্যাধিক। এওঁলোকেই হৈছে অতি লাভজনক উপভোক্তা উদ্যোগৰ প্ৰধান গ্ৰাহক।

## থলুৱা শিল্প নৈপুণ্য, সাহিত্যিক পৰম্পৰা তথা পদ্ধতিগত জ্ঞানৰ প্ৰতি ভাবুকি (Threat to many Indigenous Craft and Literary Traditions and Knowledge System)

গোলকীকৰণ আৰু সাংস্কৃতিক গাঁথনিৰ মাজত অন্য এটা দিশ একে সময়তে পৰিস্ফুট হৈ উঠে। সেয়া হৈছে পৰম্পৰাগত থলুৱা শিল্প, কলা কৌশল , সাহিত্য-সম্ভাৰ তথা থলুৱা জ্ঞান ভাণ্ডাৰৰ ওপৰত গোলকীকৰণৰ আওপকীয়া প্ৰভাৱ। একে সময়তে এইটো, স্বীকাৰ কৰিব লাগিব যে গোলকীকৰণৰ আগ মূহুৰ্তত যিবোৰ পৰিবৰ্তন আমাৰ সমাজলৈ আহিছিল, সেইবোৰেও আমাৰ পৰম্পৰাগত সংস্কৃতি আৰু বৃত্তিত

আঘাত হানিছিল। কিন্তু পৰিবৰ্তনৰ পৰিসৰ আৰু প্ৰবলতা অতি বিশাল। উদাহৰণ স্বৰূপে মুম্বাই মহনগৰীৰ সমীপত অৱস্থিত বস্ত্ৰ কলৰ বাবে জনাজাত পাৰেল (Parel) আৰু গিৰগাম (Girgaum) অঞ্চলৰ প্ৰায় ৩০ টা থিয়েটাৰ দল মৃতপ্ৰায় হৈ পৰিল। ফলত বস্ত্ৰ কলৰ বহুত শ্ৰমিকে কৰ্মসংস্থান নোহোৱা হ'ল। কিছু বছৰৰ আগতে অন্ধ্ৰপ্ৰদেশৰ কৰিমনগৰ জিলাৰ চিৰচিল্লা (Sircilla) গাঁও আৰু মেডক জিলাৰ ডুবাক্কা (Dubakka) গাঁৰৰ বহু সংখ্যক শিপিনীয়ে আত্মহত্যা কৰিব লগা হৈছিল। এই শিপিনী সকলৰ আধুনিক প্ৰযুক্তি ক্ৰয় কৰাৰ কোনো প্ৰকাৰেই সামৰ্থ নাছিল আৰু সেইবাবে বিদ্যুৎচালিত তাঁতশালৰ দ্বাৰা উৎপাদিত সামগ্ৰীবোৰৰ চাহিদা আৰু প্ৰতিযোগিতাৰ লগত ফেৰ মাৰিব নোৱাৰিছিল।

মানুহে সামাজিক জীৱনত যুগ যুগ ধৰি জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰে। পৰম্পৰাগত ভাৱেই আহৰণ কৰা সেই জ্ঞান আৰু অভিজ্ঞতাবোৰ মানুহে সঞ্চিত কৰাৰ উপৰিও বংশানুক্ৰমে সেইবোৰ ধৰি ৰাখিবলৈও প্ৰয়াস কৰে। কৃষিক্ষেত্ৰ তথা ঔষধ প্ৰযুক্তি থলুৱা জ্ঞান আদিৰ কথাকে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।

গোলকীকৰণৰ আওপকীয়া প্ৰভাৱ এইবোৰতো নপৰা নহয়। আজিকালি বহুৰাষ্ট্ৰীয় কোম্পানীবোৰে (multi-national companies) সেই পৰম্পৰাৰ ওপৰত কৃতিস্বত্ব (patent) দাবী কৰাৰ প্ৰয়াস কৰিছে।

তুলসী আৰু তুলসীৰ ৰস, হালধি, ৰুদ্ৰাক্ষ আৰু বাচমতি চাউলৰ ওপৰত কৃতিস্বত্ব দাবী কৰা কাৰ্যৰ বাবে ইতিমধ্যে থলুৱা জ্ঞান-ভাণ্ডাৰক সুৰক্ষিত কৰা প্ৰয়োজনীয়তা আহি পৰিছে।

**বন্ধনী ৬.১০**

ডোম্বাৰী সম্প্ৰদায় (Dombari community) ৰ লোকসকলৰ অৱস্থা বৰ্তমান অতি শোচনীয়। ৰেডিঅ' আৰু টেলিভিচনবোৰে আমাৰ জীৱন ধাৰণৰ উপায়বোৰ কাঢ়ি লৈ গৈছে। আমি বিভিন্ন বাদ্যযন্ত্ৰৰ সহায়ত নাচো, গীত পৰিৱেশন কৰো আৰু তাৰেই জীৱিকা নিৰ্বাহ কৰো। কিন্তু উন্নত কৌশলৰ চাৰ্কাচ আৰু টেলিভিচনৰ অনুষ্ঠানবোৰে অতি দূৰণিৰ গাঁওবোৰত বিস্তাৰিত হ'বলৈ ধৰাত, মানুহে আজিকালি আমাৰ সেই অনুষ্ঠানবোৰলৈ মন নিদিয়ে। আমি পৰিবেশন কৰিলেও সামান্যতম মজুৰিও নাপাওঁ। মানুহে আমাৰ অনুষ্ঠানবোৰ কেৱল মনোৰঞ্জনৰ বাবে চায়, বিনিময়ত একো নিদিয়ে। আমি আতুৰত দিন অতিবাহিত কৰিছো কোনেও তালৈ কাণসাৰ নিদিয়ে। আমাৰ বৃত্তিবোৰ মৰি গৈছে। (More 1970)

গোলকীকৰণে আমাৰ জীৱনত কিদৰে বিচিত্ৰ আৰু জটিল ৰূপত প্ৰভাৱ বিস্তাৰ কৰিছে সেয়া সংক্ষিপ্ত বৰ্ণনাৰে দাঙি ধৰাতো সহজ নহয় আৰু কোনোৱে সেইটো প্ৰয়াস

কৰিবও নোৱাৰে। বহু কথা তোমালোকৰ বাবে এৰি দিয়া হৈছে। উদ্যোগ জগত আৰু কৃষি জগতত গোলকীকৰণৰ প্ৰভাৱৰ বিষয়ে আমি এই অধ্যায়ত বিস্তৃত আলোচনা কৰা নাই। চতুৰ্থ আৰু পঞ্চম অধ্যায়ত আলোচিত হোৱা 'গোলকীকৰণ আৰু ভাৰতত সামাজিক পৰিবৰ্তন'ৰ সাৰমৰ্ম খিনি লোৱা আৰু সমাজতাত্ত্বিক কল্পনাৰে (sociological imagination) চিন্তা কৰা।

## প্ৰশ্নাৱলী

১) তোমালোকৰ ভাললগা যিকোনো এটা বিষয় বাছি লোৱা আৰু সেই বিষয়ত গোলকীকৰণৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা। বোলছবি, চাকৰি, বিয়া-বাৰু বা তেনে কোনো বিষয় ল'ব পাৰা।

২) গোলকীয় অৰ্থনীতিৰ নিৰ্দ্দিষ্ট বৈশিষ্ট্যবোৰ কি? আলোচনা কৰা।

৩) সংস্কৃতিত গোলকীকৰণৰ প্ৰভাৱৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৪) গোলকীকৰণ কি? বহুজাতিক কোম্পানীবোৰে প্ৰচলন কৰা ই কেৱল বজাৰ আঁচনি নেকি? অথবা ই সংস্কৃতিৰ প্ৰকৃত সংশ্লেষণ (synthesis) নেকি? আলোচনা কৰা।

## REFERENCES

Leadbeater, Charles. 1999. *Living on Thin Air: The New Economy*. Viking. London.

More, Vimal Dadasaheb. 1970. 'Teen Dagdachi Chul' in Sharmila Rege *Writing caste/writing gender: narrating dalit women's testimonios.* Zubaan/Kali. Delhi, 2006.

Reich, R. 1991. 'Brainpower, bridges and the nomadic corporation'. *New Perspective Quarterly*. 8:67-71.

Sen, Amartya. 2004. *The Argumentative Indian: Writings on Indian History, Culture and Identity.* Allen Lane, Penguin Group. London.

Sassen, Saskia .1991. *The Global City: New York, London, Tokyo.* Princeton University Press. Princeton.

Singhal, Arvind and E.M. Rogers. 2001. *India's Communication Revolution*. Sage. New Delhi.